সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,১৮ সংখ্যা, ২০ ব'হাগ, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No.18 Date of Publication- 4 May 2025 Rs. 10.00/-

## ১০ ছেপ্তেম্বৰৰ পূৰ্বে গৌৰৱে কোন তাৰিখে পাকিস্তান গৈছিল, ক'ত আছিল কৈ দিমঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- পাকিস্তান প্ৰসংগত পুনৰ গৌৰৱ গগৈৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ দুয়োটা সন্তানেই বিদেশী ৰাষ্ট্ৰৰ নাগৰিক। গৌৰৱ গগৈৰ দুয়োটা সন্তান প্ৰথমে ভাৰতীয় আছিল। পিছত দুয়োটা সন্তানকে বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্বলৈ পৰিৱৰ্তন কৰে। দুৰ্ভাগ্যজনক কথাটো হ'ল যে গৌৰৱ গগৈৰ পত্নীয়ে সন্তান দুটাৰ বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্বলৈ পৰিৱৰ্তন কৰোৱা নাই। গৌৰৱ গগৈয়ে নিজেই আবেদন কৰি নিজ সন্তানৰ নাগৰিকত্ব ভাৰতৰ পৰা আন বিদেশী ৰাষ্ট্ৰলৈ পৰিৱৰ্তন কৰিছে। আনহাতে গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্কৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তেওঁ কোন তাৰিখে পকিস্তানলৈ গৈছিল, পাকিস্তানৰ ক'ত আছিল, সেইখিনি তথ্য অহা ১০ ছেপ্টেম্বৰৰ আগেয়ে কৈ দিম। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে গৌৰৱ গগৈয়ে এখন পাছপ'ৰ্টো হেৰুৱাইছে। সেয়ে তেওঁ দুই-তিনিবাৰ পাকিস্তানলৈ গৈছে যদিও ধৰিব নোৱাৰে। কিন্তু এবাৰ পাকিস্তানলৈ যোৱাটো গম পাওঁ। গৌৰৱ গগৈক উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ (দহ পৃষ্ঠাত চাওক)

## পাকিস্তানৰ পৰা আমদানিকৃত সামগ্ৰীত নিষেধাজ্ঞা আৰোপ ভাৰতৰ



ৰঙিলী বাৰ্তাসেৱা- পেহেলগামত সন্ত্ৰাসবাদীৰ নৰসংহাৰৰ পিছতে পাকিস্তানৰ বিৰুদ্ধে আন এক কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ভাৰতে। সিন্ধু জল চুক্তি স্থগিতৰ পৰা পাকিস্তানী নাগৰিকক স্বদেশলৈ উভতি যোৱাৰ নিৰ্দেশ, পাকিস্তানী বিমানৰ উৰণ নিষিদ্ধ কৰাৰ পিছত এইবাৰ পাকিস্তানৰ আমদানিকৃত সকলো সামগ্ৰী নিষিদ্ধ কৰাৰ সমান্তৰালকৈ ভাৰতৰ বন্দৰত পাকিস্তানী পতাকা থকা জাহাজৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এক নিৰ্দেশনাযোগে পাকিস্তানৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমদানিকৃত সকলো সামগ্ৰী ভাৰতে নিষিদ্ধ কৰিছে। তাৎক্ষণিক কাৰ্যকৰী হোৱাকৈ পাকিস্তানৰ আমদানিকৃত সামগ্ৰী নিষিদ্ধ কৰাৰ লগতে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে পাকিস্তানী পতাকা থকা সকলো জাহাজ ভাৰতীয় বন্দৰলৈ অহাটো নিষিদ্ধ কৰিছে। তেনেদৰে ভাৰতীয় পতাকা লৈও কোনো জাহাজ পাকিস্তানৰ বন্দৰলৈ যাব নোৱাৰিব। ঠিক তেনেদৰে পাকিস্তানৰ পৰা আকাশমাৰ্গ আৰু স্থলভাগেৰে অহা সকলো পাৰ্চেল আৰু মেইল নিষিদ্ধ কৰা হৈছে। (দহ পৃষ্ঠাত চাওক)

## গোৱাৰ শ্ৰীলাইৰাই দেৱী মন্দিৰত পদপিষ্ট হৈ সাতজন নিহত



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ গোৱাৰ শিৰগাঁৱৰ শ্ৰীলাইৰাই দেৱী মন্দিৰত অগণন ভক্তৰ ভিৰৰ বাবে সৃষ্টি হোৱা অনিয়ন্ত্ৰিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পদপিষ্ট হৈ অতি কমেও ৭ জন ভক্তৰ প্ৰাণহানি হোৱাৰ লগতে ৮০ৰো অধিক আহত হৈছে। (দহ পৃষ্ঠাত চাওক)

## নীতি-নিৰ্দেশনা উলংঘাৰে অস্বাস্থ্যকৰ পৰিৱেশত মাছ-মাংস বিক্ৰী



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী পৌৰ নিগমৰ নীতি-নিৰ্দেশনা উলংঘা কৰি জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই মহানগৰীৰ বিভিন্ন স্থানত অস্বাস্থ্যকৰ পৰিৱেশত মাছ-মাংস বিক্ৰী কৰি আহিছে একাংশ ব্যৱসায়ীয়ে। জিএমচি কৰ্তৃপক্ষই মুকলিকৈ অস্বাস্থ্যকৰ পৰিৱেশত মাছ-মাংস বিক্ৰী কৰি অহা ব্যৱসায়ীসকলৰ বিৰুদ্ধে ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰিছে। অৱশ্যে মাজে-সময়ে নিয়মমাফিক অভিযান চলায়ে দায়িত্ব সামৰিছে গুৱাহাটী পৌৰ নিগমৰ বিষয়া-কৰ্মচাৰীয়ে। কেৱল মুনাফা লাভৰ স্বাৰ্থত নীতি-নিৰ্দেশনা উলংঘা কৰি বৈধ অনুজ্ঞাপত্ৰ অবিহনে একাংশ ব্যৱসায়ীয়ে মাছ-মাংস বিক্ৰী কৰি আহিছে। গুৱাহাটী পৌৰ নিগমে ২০২১ চনৰ আগষ্ট মাহত ৰাজহুৱা স্থানত মাছ-মাংস মুকলিকৈ প্ৰদৰ্শন আৰু মৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। ইয়াৰ উপৰি নিৰ্দেশনাটোত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে মাছ-মাংস, হাঁহ-কুকুৰা অথবা আমদানিকৃত মাংস জিএমচিৰ বৈধ অনুজ্ঞাপত্ৰ অবিহনে বিক্ৰী কৰিব নোৱাৰিব। বিশেষকৈ মাংস বিক্ৰেতাসকলে দৃষ্টিকটুভাৱে মাংস ওলমাই ৰাখিব নোৱাৰিব। পৌৰ নিগমৰ কঠোৰ নিৰ্দেশনাৰ পিছতো মহানগৰীৰ (দহ পৃষ্ঠাত চাওক)

## পেহেলগাম সন্ত্ৰাসবাদীৰ বিৰুদ্ধে গ্ৰহণ কৰা হ'ব কঠোৰ পদক্ষেপ



ৰঙিলী বাৰ্তাসেৱা- পেহেলগামক ৰাঙলী কৰি তোলা সন্ত্ৰাসবাদীক কঠোৰ শাস্তি বিহিব বুলি পুনৰ হুংকাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও লৌৰেংগৰ সৈতে যৌথ বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মানৱ জাতিৰ বাবে বৃহত্তম ভাবুকি হৈছে সন্ত্ৰাসবাদ। ভাৰত আৰু এংগোলাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক সিদ্ধান্ত লোৱাৰ (দহ পৃষ্ঠাত চাওক)

# আৰ্দ্ৰভূমি ৰামপুৰৰ দৰাবিলৰ ১৫০ বিঘা ভূমি কলিকতাৰ বণিয়া গোষ্ঠীক গটোৱাৰ ষড়যন্ত্ৰকলৈ ৰাজহুৱা সভা

ৰঙিলী বাৰ্ত্তাসেৱা-চৰকাৰে পলাশবাৰী ৰাজহ চক্ৰৰ ৰামপুৰ মৌজাৰ ১নং ৰামপুৰ আৰু ২ নং ৰামপুৰ গাঁওৰ গো-চৰণীয়া পথাৰ (VGR) ব. ৬১০ নং দাগৰ অংশ ৮৩ বিঘা ২ কঠা ১৪ লেছা আৰু ২৪৪ নং দাগৰ অংশ ৬৬ বিঘা ২ কঠা ৬ লেছা মুঠ ১৫০ বিঘা জমী AIDC Ltd.ৰ দ্বাৰা Logistic park by M/s New Kolkata International Development Pvt. Ltd. স্থাপনৰ কাৰণে ব্যৱস্থা কৰিবলৈ বিচৰাক লৈ জাঙুৰ খাই উঠিছে বৃহত্তৰ ৰামপুৰ অঞ্চলটোৰ ৰাইজৰ লগতে দক্ষিণ কামৰূপৰ বিভিন্ন দল, সংগঠনৰ লোক, প্ৰকৃতিপ্ৰেমী, বিশিষ্ট চিন্তাবিদ, কুমাৰশিল্পীকে ধৰি গোপালক আৰু মৎস্যজীৱী লোকসকল। অসমৰ মানচিত্ৰত থকা দক্ষিণ কামৰূপ তথা ৰামপুৰ অঞ্চলটোৰ হৃদপিণ্ড স্বৰূপ এই দৰাবিলৰ চিৰদিনৰ বাবে বহিৰাগত বণিয়াক গতাব খোজা এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে আজি ৰামপুৰত এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। ৰামপুৰ অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক অশ্চিনী মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিৱেশকৰ্মী তথা বন্যবন্ধুৰ সদস্য, লেখক দীপাংকৰ ঠাকুৰীয়াই। তেওঁ এই দৰাবিলৰ ৰাইজৰ বাবে থকা প্ৰয়োজনীয়তাৰ সন্দৰ্ভত মত ব্যক্ত কৰে। এই দৰাবিলে ৰামপুৰেই নহয়, সমগ্ৰ দক্ষিণ কামৰূপৰ এক অনবৈদ্য অৱদান আগবঢ়াই আহিছে বুলি কয়। কিন্তু এই দৰাবিলক চৰকাৰে বহিৰাগত বণিয়াক গতাব বিচৰাত অঞ্চলটোৰ জৈৱ-বৈচিত্ৰ্যৰ যথেষ্ট আঘাত হ'ব বুলি উল্লেখ কৰে। এই ঘটনাক ৰোধ কৰিবলৈ ইতিমধ্যেই ৰাইজে জিলা আয়ুক্তক অভিযোগ

(দহ পৃষ্ঠাত চাওক)



# ভাৰত-পাকিস্তানৰ উত্তেজনাৰ মাজতে উত্তৰ-পূব দখল কৰাৰ পৰিকল্পনা বাংলাদেশৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশ চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছৰ এগৰাকী ঘনিষ্ঠই উত্তৰ-পূবক লৈ বিস্ফোৰক মন্তব্য আগবঢ়াইছে। জম্মু-কাশ্মীৰৰ পেহেলগামত পাক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পিছতেই ভাৰত আৰু পাকিস্তানৰ মাজত আসন্ন যুদ্ধৰ সময়ত মহম্মদ ইউনুছৰ ঘনিষ্ঠ অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল এএলএম ফজলুৰ ৰহমানে সামাজিক মাধ্যমযোগে বিস্ফোৰক মন্তব্য আগবঢ়াই কয় যে যদি ভাৰতে পাকিস্তান আক্ৰমণ কৰে, তেতিয়া হ'লে চীনৰ সহযোগত বাংলাদেশে উত্তৰ-পূবৰ সাতখন ৰাজ্য দখল কৰিব। ইউনুছৰ ঘনিষ্ঠ অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল ৰহমানে মত ব্যক্ত কৰি কয় যে পেহেলগাম কাণ্ডক লৈ ভাৰতে যদি পাকিস্তানক আক্ৰমণ কৰে, তেতিয়াহ'লে বাংলাদেশে চীনৰ সহযোগত উত্তৰ-পূবৰ সাতখন ৰাজ্য দখল কৰাৰ পৰিকল্পনা ল'ব। ইউনুছৰ ঘনিষ্ঠ ৰহমানে বাংলা ভাষাতে এই বিস্ফোৰক মন্তব্য আগবঢ়োৱাৰ পিছত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত বাংলাদেশ চৰকাৰে এই মন্তব্যৰ পৰা নিজকে একাষৰীয়া কৰিছে। মন কৰিবলগীয়া যে সামাজিক মাধ্যমত অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেলগৰাকীয়ে কয় যে ভাৰত-পাকিস্তানৰ যুদ্ধ আসন্ন হোৱাৰ সময়তে'

(আঠপৃষ্ঠাত চাওক)

# পঞ্চায়তীৰাজ ব্যৱস্থা শক্তিশালী কৰিবলৈ সকলোকে আহ্বান আপৰ ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসমত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হৈছে। এই সময়তে ভাৰতৰ অন্যতম ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ অসম ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে গণতন্ত্ৰ ৰক্ষাৰ মূল ভেটি শক্তিশালী পঞ্চায়তীৰাজ ব্যৱস্থাৰ বাবে সকলোকে ওলাই আহি দ্বিতীয় পৰ্যায়তো একেদৰে ভোটদান কৰিবলৈ অসমবাসী ৰাইজক আহ্বান জনায়। কাৰণ গ্ৰামাঞ্চলৰ উন্নয়নেই ৰাজ্যৰ প্ৰগতিৰ মান নিৰ্ণয় কৰে। জাতিৰ পিতা মহাত্মা গান্ধীয়েও গাঁৱৰ ভগা পজাৰ দুখীয়া-নিচলাসকলৰ এশ-এবুৰি সমস্যাৰে জৰ্জৰিত আৰু অজ্ঞান আন্ধাৰত ডুব গৈ থকা গাঁওবাসীৰ সৰ্বাংগীন উন্নয়নৰ সপোন দেখিছিল যাৰ বাবে তেওঁ ৰচিছিল গ্ৰাম্য স্বৰাজ। এক প্ৰেছ বাৰ্তাযোগে ডাঃ ভবেন চৌধুৰীয়ে অসমত এখন স্বচ্ছ, নিকা, স্বজন-তোষণহীন পঞ্চয়তীৰাজ ব্যৱস্থাৰ পোষকতা কৰি কয় যে ৰাজ্যখনৰ প্ৰায় আশী শতাংশ লোক বাস কৰ গাঁৱ এখনত চলি থকা দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে, জনবিৰোধী চৰকাৰখনৰ কাম কাজৰ বিৰুদ্ধে সকলোকে ভোটদান কৰিবলৈ আহ্বান জনায়। এইবাৰ নিৰ্বাচনত বিজেপি দলে ভোটৰ ৰাইজক বিজেপিক ভোট নিদিলে সকলো চৰকাৰী আঁচনিৰ পৰা নাম কৰ্তন, য'ত বিজেপি দল পৰাজিত হয় সেই অঞ্চলটো সকলো চৰকাৰী সা-সুবিধা তথা উন্নয়নৰ পৰা বঞ্চিত হ'ব আদি বহু ভাবুকি দিয়া পৰিলক্ষিত হৈছে। সভাপতি ডাঃ ভবেন চৌধুৰীয়ে ভুৱা নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়া বিজেপি চৰকাৰৰ বিৰুদ্ধে সকলোকে থিয় হ'বলৈ আহ্বান জনায় কয় যে বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি অনুসৰি চাহ শ্ৰমিকৰ মজুৰি ৩৫১ টকালৈ বৃদ্ধি নকৰিলে, আবেদন কৰা লাখপতি বাইদেউসকলে টকা নাপালে, গছপুলি ৰুই মহিলাসকলে

(আঠপৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান..

# কুকুৰৰ নেগুৰ আৰু আমাৰ চৰিত্ৰ



**দেৱাশীষ গোস্বামী**

শিৰোনামাৰ অন্তৰ্নিহিত অৰ্থ এটা মুদ্ৰাৰ ইপিঠি সিপিঠি নহয়নে বাৰু? আমি সকলোৱে জানো যে কুকুৰৰ নেগুৰ বেকা বেকাই। তাক চিধা কৰা অসম্ভৱ। ঠিক সেইদৰে আমি আমাৰ চাৰিত্ৰিক বৈশিষ্ট সমূহ কোনো কাৰণতে স্থায়ী ভাৱে সলনি কৰিব নোৱাৰো। কেৱল মাত্ৰ প্ৰয়োজন সাপেক্ষে, সময় সাপেক্ষে অনিচ্ছা স্বত্বেও বহু কষ্টেৰে 'আচল, প্ৰকৃত' আমিতোক ঢাকি ৰখাৰ বৃথা চেষ্টা কৰো, য'ত অতি নিৰ্লজ ভাৱে আমি ধৰাও পৰো। সামাজিক প্ৰাণী হিচাপে আমাৰ চাৰিওফালৰ সমাজখনত ভিন্ন চৰিত্ৰৰ মানসিকতাৰ ব্যক্তিৰ সমাহাৰ। এইখিনিলৈকেতো বাৰু সকলো ঠিক ঠাক। কিন্তু শান্তিপ্ৰিয়, সুস্থ সৱল সমাজ এখনৰ হেঙাৰ, বোজা স্বৰূপ ঠেক- ঋণাত্মক মানসিকতাৰ, চৰিত্ৰৰ, বিভিন্ন সময়ত নানা সৰু বৰ কেলেংকাৰীত জড়িত হৈও নিজকে সৰ্বশ্ৰেষ্ঠ বুলি ভাবি লোকৰ দোষ খুচৰি ফুৰা, ডিঙিৰ শিৰ ফুলাই, বিভিন্ন সভা-সমিতিয়ে বৰ বৰ ভাষণ দি ফুৰা বিশিষ্ট ব্যক্তি সকলৰ ভৰ সহি সহি একোখন সমাজ কোঙা হৈ পৰিছে। সমাজৰ পৰিপন্থী ওপৰত উল্লেখিত মানসিকতা, চৰিত্ৰৰ বিশিষ্ট ব্যক্তিসকলে, যি নিজৰ একমাত্ৰ স্বাৰ্থ সিদ্ধিৰ বাবে যি কোনো স্তৰলৈ নামিব পাৰে, এখন শিক্ষিত, সভ্য সমাজক নিজকে জীৱশ্ৰেষ্ঠ হিচাপে দাবী কৰাৰ ক্ষেত্ৰত সন্দেহৰ উদ্ৰেক ঘটাইছে। নিজৰে তথৈবচ অথচ লোকৰ ঘৰত জুমি থকা সমাজৰ বিশিষ্ট এচামৰ নিকৃষ্ট কৰ্ম কাণ্ডই আমাৰ ভৱিষ্যত প্ৰজন্মৰ কাৰনে এক অশণি সংকেত কঢ়িয়াই অনাৰ লগতে সভ্য সমাজ এখন ধ্বংস কৰাৰ ভয়াবহ ইংগিত বহন কৰিছে। দেশৰ পৰিস্থিতি তথা জীৱশ্ৰেষ্ঠৰ নানা ভয়ংকৰ কৰ্ম-কাণ্ডই প্ৰত্যেকজন অভিভাৱকক সন্দিহান কৰি তুলিছে নিজ সন্তানৰ ভৱিষ্যত সম্পৰ্কে।

বিভিন্ন ইতিবাচক চিন্তাধাৰা লিখনিৰে খবৰ কাগজ, সামাজিক মাধ্যমত চেষ্টাৰ ক্ৰটি কৰা নাই একোখন সমাজ সুস্থ-সবল হিচাপে গঢ়ি তুলি প্ৰকৃত দিশত আগুৱাই নিয়াত বিভিন্ন জনে বিভিন্ন সময়ত। পিছে কি যে দুৰকপলীয়া আমিবোৰ। সমাজৰ সেই বিশিষ্ট সকল নাচোৰ বান্দা, কোনো কাৰণতে ঠেক মানসিকতা তথা নিকৃষ্ট চৰিত্ৰ সলনি কৰিবলৈ অপাৰগ। বৰ বৰ কথাৰে সমাজ সংস্কাৰকৰ ভূমিকা পালন কৰাত সিদ্ধহস্ত, বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী এই সকলে একোখন সমাজ বিপথগামী হে কৰে।

সুস্থ সমাজ এখনৰ মূৰৰ কামোৰণি স্বৰূপ ঠেক মানসিকতা তথা নিকৃষ্ট চৰিত্ৰ নামৰ ব্যাধি বিধৰ দৰৱো কোনো পৰীক্ষাগাৰতে বিশিষ্ট বিজ্ঞানী সকলেও আজিকোপতি আৱিষ্কাৰ কৰাত অসমৰ্থ। আমাৰ সমাজৰ এই বিশিষ্ট ব্যক্তি সকলক চিনাক্ত কৰি, নিজৰ লগতে পৰিয়ালটোক সুৰক্ষিত দূৰত্বত অৱস্থান কৰোৱাই ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰাৰ স্বাৰ্থত হাতে হাত ধৰি আগুৱাই যোৱাটোৱেই আমাৰ বৰ্তমান সময়ৰ আন এটা প্ৰধান কৰ্তব্য।

# তিৰুৱনন্তপুৰমত ভিঝিনজাম বন্দৰ উদ্বোধন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেৰালাত উপস্থিত হৈ আদানি গোষ্ঠীৰ তত্ত্বাৱধানত নতুনকৈ নিৰ্মাণ কৰা তিৰুৱনন্ত পুৰমৰ ভিঝিনজাম উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে এই উদ্বোধনী অনুষ্ঠানত উপস্থিত আছিল কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ি বিজয়ন, কংগ্ৰেছ সাংসদ শশী থাৰুৰ প্ৰমুখ্যে (দহ পৃষ্ঠাত চাওক)

# নলবাৰীত গৌৰৱ গগৈৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ বাবে কেইবাটাও কাৰ্যসূচী হাতত লৈ নলবাৰীত উপস্থিত হোৱা বিৰোধী দলৰ উপ- সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ। নিৰ্বাচনী সভা চলি থকাৰ মাজতেই গৌৰৱ গগৈক ক’লা পতাকা প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। ‘ গৌৰৱ গগৈ গ’ বেগ’, ‘পাকিস্তানৰ এজেণ্ট গৌৰৱ গগৈ হুচিয়াৰ’, ‘গৌৰৱ গগৈ হায় হায়’ আদি শ্লোগানেৰে পৰিৱেশ উত্তপ্ত কৰি তোলে। উল্লেখ্য যে, নলবাৰীত কংগ্ৰেছৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ গৈছিল সাংসদ গৌৰৱ গগৈ। গোপনে পাকিস্তানলৈ গৈ ১৫ দিন কটাই অহা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈক লৈ ইতিমধ্যে ক্ষুণ্ণ হৈ আছিল ৰাইজ। যাৰ ফলত সভা চলি থকাৰ মাজতে স্থানীয় ৰাইজে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। পৰিস্থিতি উত্তপ্ত হোৱা দেখি গৌৰৱ গগৈয়ে ৰাইজৰ ভয়ত অন্য পথেৰে পলায়ন কৰে। পাকিস্তানৰ সৈতে লিংক থকা বুলি সাংসদগৰাকীৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈ আহিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও সাংসদগৰাকীক পাকিস্তানলৈ যোৱা বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। এই সন্দৰ্ভত (আঠপৃষ্ঠাত চাওক)



# দিল্লীত বডোফাৰ প্ৰতিমূৰ্তি উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীত কেন্দ্ৰীয় গৃহ আৰু সমবায় দপ্তৰৰ মন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বড়ো সমাজৰ পথিকৃত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৯ ফুট উচ্চতাৰ এক প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে এটা পথ তথা ৰ’টাৰী নামকৰণ কৰে। ৮৩৫ মিটাৰ দৈৰ্ঘ্যৰ এই পথটো লালা লাজপত ৰায়মাৰ্গৰ পৰা আৰম্ভ হৈ কৈলাস কলনী পথৰ বড়োলেণ্ড হাউছ পাৰ হৈ ইউ টাৰ্ন লৈ পুনৰ লালা লাজপত ৰায়মাৰ্গ পথটোক সংযোগ কৰিছে। উল্লেখ্য যে এইবাৰ দ্বিতীয়বাৰৰ বাবে দেশৰ ৰাজধানী নতুন দিল্লীত অসমৰ কোনো ব্যক্তিৰ নামেৰে এটা পথৰ নামকৰণ কৰা হৈছে। ইয়াৰ পূৰ্বে চাণক্যপুৰীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ মাৰ্গ নামে আন এটা পথ উৎসৰ্গা কৰা হৈছিল। অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাষণ প্ৰদান কৰি কয় যে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মই এনে এখন সমাজৰ কল্পনা কৰিছিল, য’ত পৰিচয় আৰু সততাৰ সহাৱস্থান আছিল। দিল্লীৰ বুকুত তেওঁৰ উত্তৰাধিকাৰক সন্মান জনোৱাটোৱেই সৰ্বাংগীণ উন্নয়ন আৰু সমন্বয়ৰ ক্ষেত্ৰত তেওঁৰ অৱদানে বড়ো জাতিক কৃতজ্ঞ কৰি আহিছে। ঐক্যৰ ক্ষেত্ৰত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ দৃষ্টিভংগী অধিক প্ৰাসংগিক। এই অনুষ্ঠানত অংশ ল’ব পৰাটো মোৰ পৰম সৌভাগ্য। বডোফাৰ প্ৰতিমূৰ্তি স্থাপন আৰু দিল্লীৰ এটা পথৰ নাম সলনি কৰাটো কেৱল বড়োলেণ্ডৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নহয়, বৰং সমগ্ৰ দেশৰ সকলো সম্প্ৰদায় আৰু জনজাতিৰ প্ৰতি সন্মানৰ চিন। মই তেওঁলোকক আশ্বস্ত কৰিব বিচাৰোঁ যে এই দেশখন আন কাৰোবাৰ দৰেই তেওঁলোকৰো। বডোফা উপেন্দ্ৰনাথ ব্ৰহ্ম কেৱল বড়ো জাতি আৰু বড়োলেণ্ডৰ বাবেই নহয়, নিজৰ ভাষা আৰু ধৰ্মৰ বিকাশৰ হকে যুঁজ দি অহা দেশৰ সকলো জনসাধাৰণৰ বাবেই সন্মান। ২০২০ চনত বড়ো (আঠপৃষ্ঠাত চাওক)

# মুকলি আকাশৰ তললৈ বিশাল-তাৰ্কিক




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য কপোঁৱা ট্ৰেডিং কেলেংকাৰিৰ অন্যতম দুই মূল অভিযুক্ত বিশাল ফুকন আৰু তাৰ্কিক বৰাৰ অৱশেষত মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হ’ল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন এজনীয়া বিচাৰপীঠে বিশাল আৰু তাৰ্কিকৰ জামিন মঞ্জুৰ কৰে। উচ্চ ন্যায়ালয়ে বৰবৰুৱা থানাত ৰুজু হৈ থকা ৮৫/২০২৪ নম্বৰৰ গোচৰত দুই অভিযুক্তৰ জামিন মঞ্জুৰ কৰে। তেওঁলোকৰ বিৰুদ্ধে ৰুজু হৈ থকা এইটো আছিল অন্তিমটো গোচৰ। ইয়াৰ পূৰ্বে তেওঁলোকে ডিব্ৰুগড় আৰু দুলীয়াজান থানাৰ গোচৰত জামিন লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু বৰবৰুৱা থানাৰ গোচৰত জামিন লাভ নকৰাৰ বাবে বিশাল আৰু তাৰ্কিক কাৰাগাৰত বন্দী হৈ আছিল। দুয়োজনে জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা জামিন আবেদনৰ শুনানি যোৱা ২৯ এপ্ৰিলতে সম্পন্ন হৈছিল। অৱশ্যে সেইদিনা উচ্চ ন্যায়ালয়ে জামিন আবেদনৰ ৰায়দান সংৰক্ষিত ৰাখে। বৃহস্পতিবাৰে আদালতে এই আবেদনৰ ৰায়দান কৰি তাৰ্কিক আৰু বিশালৰ জামিন মঞ্জুৰ কৰে। ইয়াৰ লগে লগে ট্ৰেডিং কেলেংকাৰিৰ দুই অভিযুক্তৰ কাৰাগাৰৰ পৰা মুকলি হোৱাৰ পথ প্ৰশস্ত হৈ পৰে। অৱশ্যে একেই কেলেংকাৰিত অভিযুক্ত হৈ কাৰাগাৰত থকা তাৰ্কিকৰ পত্নী তথা নৃত্য পটীয়সী চুমি বৰাই এতিয়াও উচ্চ ন্যায়ালয়ত কোনো সকাহ লাভ কৰা নাই। কিছুদিন পূৰ্বে তেওঁ এই গোচৰটোত জামিন আবেদন দাখিল কৰিছিল যদিও আদালতে তেওঁৰ আবেদন নাকচ কৰে। অৱশ্যে এতিয়ালৈ চুমিয়ে পুনৰ জামিন আবেদন দাখিল কৰা নাই বুলি জানিব পৰা গৈছে।

# ভাৰতৰ আকাশমাৰ্গত নিষিদ্ধ পাকিস্তানৰ বিমান উৰণ




ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰৰ পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত নৰসংহাৰ চলোৱাৰ পিছতেই পাকিস্তানৰ বিৰুদ্ধে যুদ্ধংদেহি স্থিতি গ্ৰহণ কৰিছে ভাৰতে। পাকিস্তানে ভাৰতীয় বিমানৰ উৰণ নিষিদ্ধ কৰাৰ পিছত নতুন দিল্লীয়েও পাকিস্তানৰ সকলো বিমানৰ উৰণ ভাৰতীয় আকাশমাৰ্গত নিষিদ্ধ কৰিছে। স্থল-জল আৰু আকাশত সেনাই সদাসষ্টম হৈ থকাৰ মাজতে ভাৰতীয় নৌবাহিনীয়ে আৰব সাগৰত অনুশীলন চলাইছে। ৩০ এপ্ৰিলৰ পৰা ৩ মে’লৈ গুজৰাটৰ উপকূলত সাগৰীয় সীমাত নৌবাহিনীয়ে (আঠপৃষ্ঠাত চাওক)

# আপ প্ৰাৰ্থীৰ হৈ ঘৰে ঘৰে প্ৰচাৰ অভিযান ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আপ ৰ উত্তৰ-পূৰ্বাঞ্চলৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই কামৰূপ মহানগৰ জিলাৰ বৰখাট জিলা পৰিষদৰ (ZPC) প্ৰাৰ্থী ৰীনা স্বৰ্গীয়াৰীৰ সৈতে ঘৰে ঘৰে প্ৰচাৰ অভিযানত অংশ গ্ৰহণ কৰে। স্থানীয় লোকসকলৰ মাজত বিপুল উৎসাহ আৰু সমৰ্থনে দলটোক ইতিবাচক পৰিৱৰ্তন আনি দিয়াৰ গতি আৰু শক্তিশালী কৰি তুলিছে। ৰাজেশ শৰ্মাই ভোটাৰসকলৰ সৈতে মত বিনিময় কৰি, তেওঁলোকৰ সমস্যাসমূহ অনুধাৱন কৰে আৰু আম আদমী পাৰ্টিয়ে স্বচ্ছ শাসন, গ্ৰাম্য উন্নয়ন আৰু সৰ্বজনীন নীতিৰ ওপৰত কাম কৰি যোৱাৰ কথা দিয়ে। শৰ্মাই জনসাধাৰণৰ উষ্ম সমৰ্থনৰ বাবে কৃতজ্ঞতা জনাই কয় যে ৰাইজৰ সমৰ্থন সঁচাকৈয়ে প্ৰেৰণাদায়ক যিয়েই আমাক (আঠপৃষ্ঠাত চাওক)

# ঘোষণা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল




ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। বুধবাৰে পুৱা ৯ বজাত ১২টা ৱেবছাইটৰ জৰিয়তে উচ্চতৰ মাধ্যমিক কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাৰ ফলাফলসমূহ ঘোষণা কৰা হয়। ফলাফল অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ চাৰিওটা শাখাত সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰ হৈছে ৮১.৭৭ শতাংশ। পৰিষদৰ তথ্য অনুসৰি চলিত বৰ্ষত কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাত মুঠ ৩, ০২, ৬১৩গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ২, ৪৭, ৪৬২গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। কলা শাখাত মুঠ ২, ৩০, ০৯০ গৰাকী শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছিল যদিও ২, ২৬, ৭৫৬গৰাকী শিক্ষাৰ্থীয়েহে পৰীক্ষাত অৱতীৰ্ণ হয়। পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ ভিতৰত ৯৬, ৪০৫জন ছাত্ৰ আৰু ১, ৩০, ৩৫১ গৰাকী ছাত্ৰী। অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ ভিতৰত মুঠ ১, ৮৩, ৭৪৫ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ৪৯, ৫৭৭ গৰাকীয়ে প্ৰথম, ৮০, ৬৫০ গৰাকীয়ে দ্বিতীয় আৰু ৫৩, ৫১৮ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰিছে। কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮১.০৩ শতাংশ। আনহাতে, বাণিজ্য শাখাত ১৭, ৮৬৯ গৰাকী শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছিল যদিও ১৭, ৭৪৬ গৰাকীয়েহে পৰীক্ষাত অৱতীৰ্ণ হয়। অৱতীৰ্ণ হোৱাসকলৰ ভিতৰত ১২, ৪৫৪জন ছাত্ৰ আৰু ৫, ২৯২ গৰাকী ছাত্ৰী। এই শিক্ষাৰ্থীসকলৰ ভিতৰত ১৪, ৫৮৪ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰে ৬, ৫১৯ গৰাকীয়ে প্ৰথম, ৫, ৭৬০ গৰাকীয়ে দ্বিতীয়, ২, ৩০৫ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ (নপৃষ্ঠাত চাওক)

# জাতিভিত্তিক লোকপিয়ল আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কেন্দ্ৰীয় চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জাতিগত লোকপিয়লৰ ক্ষেত্ৰত বুধবাৰে কেন্দ্ৰীয় চৰকাৰে এক ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজনৈতিক পৰিক্ৰমাৰ কেবিনেট কমিটীয়ে জাতিভিত্তিক লোকপিয়ল আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেট বৈঠকৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকৰ আগত বৈঠকে লোৱা সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। কেন্দ্ৰীয় মন্ত্ৰী বৈষ্ণৱে প্ৰকাশ কৰা মতে, মোদী চৰকাৰে দেশজুৰি জাতিভিত্তিক লোকপিয়ল আৰম্ভ কৰিব। পৰৱৰ্তী লোকপিয়লত জৰীপৰ পৰিৱৰ্তে জাতি গণনা কৰিব বুলি কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। জাতিভিত্তিক লোকপিয়লৰ সিদ্ধান্ত কেবিনেটে গ্ৰহণ কৰা বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী বৈষ্ণৱে কয়- কংগ্ৰেছ চৰকাৰে দীৰ্ঘদিন ধৰি জাতিভিত্তিক লোকপিয়লৰ বিৰোধিতা কৰি আহিছিল। স্বাধীনতাৰ পিছৰে পৰা কোনো এটা ৰাষ্ট্ৰীয় লোকপিয়লত জাতি গণনা কৰা হোৱা নাছিল। ২০১০ চনত তদানীন্তন প্ৰধানমন্ত্ৰী প্ৰয়াত মনমোহন সিঙে লোকসভাত জাতিগত লোকপিয়লৰ বিষয়টো কেবিনেটত বিবেচনা কৰিব বুলি মন্তব্য কৰিছিল। মন্ত্ৰীবৰ্গৰ কমিটীও গঠন কৰা হৈছিল। অধিকাংশ ৰাজনৈতিক দলে জাতিভিত্তিক লোকপিয়লত অনুমোদন জনাইছে। ইয়াৰ পিছতো কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰে প্ৰকৃত জাতিগত লোকপিয়লৰ পৰিৱৰ্তে এক জৰীপহে চলাইছিল। এই জৰীপক আৰ্থ-সামাজিক আৰু (নপৃষ্ঠাত চাওক)

# তিনি সেনাৰ মুৰব্বী- এনএছএ- প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- পেহেলগামৰ আক্ৰমণৰ প্ৰতিশোধ ল'বলৈ তিনি সেনা বাহিনীক সম্পূৰ্ণ ক্ষমতা অৰ্পণ কৰি ফ্ৰীহেণ্ড দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। পেহেলগামৰ আক্ৰমণক লৈ ৰণনীতি চূড়ান্ত কৰাৰ বাবে বিগত তিনি দিনত প্ৰধানমন্ত্ৰী মোদীয়ে দুখন সুৰক্ষা সম্পৰ্কীয় বিশেষ বৈঠকত অংশ লৈছে। তিনি সেনাৰ মুৰব্বী, চিডিএছ, এনএছএ আৰু কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীৰ উপস্থিতিত মঙলবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসভৱনত ডেৰ ঘণ্টাজোৰা বৈঠকত পাক সন্ত্ৰাসবাদীক নিৰ্মূল কৰিবলৈ সেনাক পূৰ্ণ ক্ষমতা অৰ্পণ কৰাৰ পিছত পুনৰ বুধবাৰে আন এখন বৈঠকত মিলিত হয়। দেশৰ দুখন সিদ্ধান্ত গ্ৰহণকাৰী শক্তিশালী কমিটীৰ সঘনাই বৈঠক অনুষ্ঠিত হৈ আছে। পেহেলগামৰ আক্ৰমণৰ পিছত প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত সুৰক্ষা সম্পৰ্কীয় কেবিনেট কমিটীৰ দুখন বৈঠক অনুষ্ঠিত হৈছে। ইয়াৰ উপৰি ৰাজনৈতিক পৰিক্ৰমাৰ (নপৃষ্ঠাত চাওক)

# হাইকৰ্টৰ বাৰ সন্থাৰ পৰা পদত্যাগ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী হাইকৰ্ট বাৰ এছ'চিয়েচনৰ পৰা পদত্যাগ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। এছ'চিয়েচনৰ সভাপতিলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। গুৱাহাটী উচ্চ ন্যায়ালয় ৰংমহললৈ স্থানান্তৰক লৈ এছ'চিয়েচনৰ সৈতে হোৱা মতৰ অমিলৰ বাবেই মুখ্যমন্ত্ৰীগৰাকীয়ে পদত্যাগ কৰে। পদত্যাগ-পত্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে গুৰুতৰ বিত্তীয় আৰু অন্যান্য বাধা থকা সত্বেও ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ৰ সম্পূৰ্ণ আদালতৰ পৰামৰ্শ মতে ৰংমহললৈ উচ্চন্যায়ালয় স্থানান্তৰৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। উত্তৰ গুৱাহাটীৰ ৰংমহললৈ উচ্চ ন্যায়ালয় স্থানান্তৰ সন্দৰ্ভত সবল যুক্তি দাঙি ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেইবাটাও কাৰণত এই স্থানান্তৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ উচ্চ ন্যায়ালয় ভৱন মহানগৰীখনৰ মাজমজিয়াত অৱস্থিত আৰু পৰৱৰ্তী পৰ্যায়ত সম্প্ৰসাৰণৰ বাবে কোনোধৰণৰ সুবিধা নাই। তদুপৰি অধিবক্তা, আবেদনকাৰী তথা অন্যান্য সদস্যসকলৰ বাবে পাৰ্কিং ব্যৱস্থাও যথেষ্ট নহয়। মূল বিচাৰপীঠত ন্যায়াধীশৰ সংখ্যা ২২গৰাকীৰ পৰা ৩০ গৰাকীলৈ বৃদ্ধি কৰাৰ লগে লগে বৰ্তমানৰ ভৱনত ন্যায়াধীশসকলৰ বাবে উপযুক্ত সা-সুবিধা প্ৰদান কৰিবলৈ চৰকাৰ অসমৰ্থ হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰিছে। ইয়াৰ উপৰি আধুনিক পুথিভঁৰাল, এটা প্ৰেক্ষাগৃহ, অধিবক্তাৰ চেম্বাৰ আৰু বহাৰ স্থান, জ্যেষ্ঠ অধিবক্তাসকলৰ বাবে নিৰ্দিষ্ট কোঠা, অধিবক্তা-আবেদনকাৰীৰ আলোচনাৰ বাবে কোঠা, জৰুৰীকালীন চিকিৎসা সেৱা, অডিঅ'-ভিডিঅ' সুবিধা থকা কোঠা আৰু অন্যান্য আন্তঃগাঁথনিমূলক প্ৰয়োজনীয়তাৰ অভাৱৰ বিষয়েও তেওঁ উল্লেখ কৰে। সমান্তৰালভাৱে (নপৃষ্ঠাত চাওক)

# শ্ৰম পৰিষদ, অসম শ্ৰমিক দিৱস উদযাপন




ৰঙিলী বাৰ্ত্তাসেৱা-আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস উপলক্ষে অসম গণ পৰিষদ দলৰ ভাতৃ সংগঠন শ্ৰম পৰিষদ, অসমৰ উদ্যোগত অগপ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত বিভিন্ন অনুষ্ঠানৰ আয়োজন (নপৃষ্ঠাত চাওক)

# চকবজাৰত চেল্যুট ত্ৰিৰংগাৰ পেহেলগামৰ পৰ্যটক শ্বহীদক শ্ৰদ্ধাঞ্জলি



ৰঙিলী বাৰ্ত্তাসেৱা- নলবাৰী জিলাৰ চকবজাৰস্থিত জিলা লেখক সভাৰ কাৰ্যালয় প্ৰাংগনত চেল্যুট ত্ৰিৰংগাৰ উদ্যোগত আৰু লেখক সভা, মিলিজুলী সাংস্কৃতিক গোষ্ঠীৰ সহযোগত কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণ নিহত ২৮ গৰাকী পৰ্যটক শ্বহীদৰ পৱিত্ৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান হয়। চেল্যুট ত্ৰিৰংগাৰ জিলা মুখপাত্ৰ প্ৰাঞ্জল শৰ্মাই আঁত ধৰা অনুষ্ঠানৰ আদিতে ৰাজ্যিক সাধাৰণ সম্পাদক (নপৃষ্ঠাত চাওক)

# মহান বিজ্ঞানী “লিঅ'নাৰ্ড' ডা ভিঞ্চি”



লিঅ'নাৰ্ড' ভিঞ্চি ৰ সম্পূৰ্ণ নাম হৈছে লিঅ'নাৰ্ড' দি চেৰ পিয়েৰ' দা ভিঞ্চি। তেওঁক আমি এজন প্ৰখ্যাত চিত্ৰশিল্পী হিচাপে জানো। কিন্তু তেওঁ আছিল একেধাৰে বিজ্ঞানী, গণিতজ্ঞ , অভিযন্তা, উদ্ভাৱক, শৰীৰ বিজ্ঞানী, সংগীতজ্ঞ, স্থপতিবিদ, ভাস্কৰ্যবিদ, ভূবিজ্ঞানী, উদ্ভিদ বিশেষজ্ঞ আৰু লেখক। সেয়ে তেওঁক সৰ্বকালৰ শ্ৰেষ্ঠ চিত্ৰশিল্পী আৰু বহুমুখী দক্ষতাৰ ব্যক্তি হিচাপে গণ্য কৰা হয়। চিত্ৰকৰ্মৰ ভিতৰত “মনালিছা” হৈছে সকলোতকৈ বিখ্যাত আৰু দা লাষ্ট চাপাৰ হৈছে সকলোতকৈ বেছি পুনঃ অংকিত ধৰ্মীয় চিত্ৰ। চিত্ৰকৰ হিচাপে তেওঁ যিমান প্ৰখ্যাত আছিল বিজ্ঞান - প্ৰযুক্তিৰ উদ্ভাৱনৰ ক্ষেত্ৰতো

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

অসাধাৰণ আছিল। তেওঁ হেলিকপ্টাৰৰ টেংক, সৌৰশক্তি, কেলকুলেটৰ, আৰু প্লেট টেক্‌ টনিকছৰ ধাৰণা আগবঢ়াইছিল। তেওঁৰ স্বয়ংক্ৰিয় ববিন ৱাইনগুৱাৰ আৰু তাঁৰৰ শক্তি পৰীক্ষা কৰা সঁজুলিয়ে বাণিজ্যিক সফলতা লাভ কৰিছিল।

১৪৫২ চনৰ ১৫ এপ্ৰিলত ইটালীৰ ফ্ল'ৰেঞ্চ প্ৰদেশৰ আনছিয়ানো নামৰ এখন সৰু নগৰত জন্ম গ্ৰহণ কৰা ভিঞ্চিৰ পিতৃ পিয়েৰ দা ভিঞ্চি আৰু মাতৃ আছিল কৃষক মহিলা কেটেৰিনা। সৰুৰে পৰা তেওঁৰ কীট-পতংগৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল। ১৫ বছৰ বয়সতে তেওঁ বিভিন্ন ধৰণৰ কীট পতংগ সংগ্ৰহ কৰিছিল আৰু সেই বোৰৰ বিষয়ে অধ্যয়ন কৰি ছবি আঁকি ৰাখিছিল। তেওঁ পুতলাৰ পৰা অস্ত্ৰ -শস্ত্ৰ সজালৈ স্থপতিবিদ্যাৰ সকলো জ্ঞান আয়ত্ত কৰিছিল। তেওঁ জ্যামিতি, উদ্ভিদ বিজ্ঞান আৰু যান্ত্ৰিক নিয়মবোৰ একে সময়তে অধ্যয়ন কৰিছিল। তেওঁৰ টোকাবহীখন সাত হাজাৰতকৈয়ো অধিক তথ্যৰে সমৃদ্ধ আছিল। তেওঁৰ টোকা সমূহ গোপন কৰি ৰাখি ভাল পাইছিল সেয়ে টোকাবহী খন *( ছয় পৃষ্ঠাত চাওক)*

# অসমীয়া/ইংৰাজী বুলি কথা নাই “শিক্ষানুষ্ঠানৰ মাধ্যমে শিক্ষাৰ্থীৰ ভৱিষ্যত যোগ্যতা নিৰূপণ নকৰে”



**অনামিকা(সংগীতা) কলিতা,গুৱালকুছি**

উচ্চ মাধ্যমিক (মেট্ৰিক)আৰু উচ্চতৰ মাধ্যমিক (হায়াৰ ছেকেণ্ডাৰী) দুয়োটা পৰীক্ষাৰ ৰিজাল্ট দিলে। শিক্ষাৰ্থী সকলৰ পাৰদৰ্শিতাই অভিভাৱক আৰু শিক্ষাগুৰু সকলৰ মন আনন্দৰে ভৰি পৰে।

বৰ্তমান মনঃপুত হোৱাত হাতত কলমটো উঠাই লৈছোঁ। ময়ো এগৰাকী শিক্ষকৰ পত্নী দেখিছো মোৰ স্বামীয়ে বহুতো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়ি তুলিবলৈ হাতত মমবাতি লৈ পথ পদৰ্শক। এইবাৰো তেখেতৰ তত্ত্বধানত ছাত্ৰ/ছাত্ৰীৰ পাৰদৰ্শিতাই মন ভৰি পৰিল।

শিক্ষাবিদ আৰু বিশিষ্ট গুণী জ্ঞানী ব্যক্তি সকলে মত পোষণ কৰিছে- শিক্ষাৰ মাধ্যম শিক্ষাৰ্থীৰ যোগ্যতাৰ মাপকাঠি নহয়। অসমীয়া বা ইংৰাজী মাধ্যম বুলি কথা নাই। যিকোনো মাধ্যমতে শিক্ষাৰ্থীয়ে নিজৰ জীৱন গঢ়িব পাৰে। মাধ্যম শিক্ষাৰ্থীৰ ভৱিষ্যতৰ অন্তৰায় নহয়। যিকোনো মাধ্যমতে শিক্ষাৰ্থীয়ে জ্ঞান লাভ কৰিব পাৰে, লাগে মাত্ৰ বিদ্যাৰ্থী জনৰ বিষয়টো ভালদৰে অধ্যয়ন কৰিব পৰা ধাউতি, একাগ্ৰতা আৰু এজন সুদক্ষ গুৰু। কাৰণ কোনো এটা বিষয় বা ভাষাৰ জ্ঞান লাভ কৰিবলৈ হ'লে সেই বিষয়টো ভালদৰে অধ্যয়ন কৰিব লাগিব। তাত কোনো শিক্ষাৰ মাধ্যমৰ কথা আহি নপৰে।

অভিজ্ঞতা পৰা মোৰ অকণমান অনুভৱ সংযোগ কৰিলোঁ। মোৰ স্বামীৰ লগত একেলগে সতীৰ্থ শিক্ষক জনৰ দুয়োটা ল'ৰা আমাৰ মাতৃভাষা অসমীয়া মাধ্যমত পঢ়ি বৰ্তমান এজন ডাক্তৰ এতিয়া MDকৰি আছে আৰু আন এজন বিজ্ঞানী হিচাপে গৱেষণাৰ সুবিধা পাইছে।

আমাৰ গুৱালকুছিৰ এজন প্ৰতিষ্ঠিত ডাক্তৰ কানাডাৰ ৰিচাৰ্চ চেন্টাৰত ডাক্তৰ বিকুল দাস তেওঁ কৰ্কট ৰোগ চিকিৎসাত উদ্ভাৱনৰ গৱেষণাত জড়িত হৈ আছে। তেওঁ আমাৰ গাঁওৰ অসমীয়া মাধ্যমত পঢ়ি যোৱা।

জীৱনত বহুত ল'ৰা ছোৱালীক মোৰ স্বামীয়ে শিক্ষা দান কৰা দেখিছোঁ। কেইবাগৰাকী শিক্ষাৰ্থীয়ে নিজৰ মাতৃভূমিৰ পৰা দূৰত উচ্চ শিক্ষাৰ বাবে গৈ তাতেই প্ৰতিষ্ঠিত হৈছে অসমীয়া মাধ্যমত পঢ়িয়ে যোৱা।

দিল্লীত এপলো কৰ্মৰত হাৰ্ট স্পেছিয়েল ডাক্তৰ ভবা নন্দ দাস বুলি ক'লে সকলোৱে চিনি পাই। তেওঁ আমাৰ গুৱালকুছিৰ সন্তান, গুৱালকুছিৰ চৰকাৰী অসমীয়া মাধ্যমত পঢ়ি শিক্ষা লাভ কৰিছিল। গতিকে মাধ্যম কেতিয়াও অন্তৰায় নহয়। নিজৰ মাতৃভাষা মাধ্যমত পঢ়িও এজন সুদক্ষ ব্যক্তি হব পাৰে।

# সমন্বয়



**মঞ্জু কাকতি, গুৱালকুছি**

পৰিৱৰ্তিত ঋতুৰ পাকঘূৰণিত
কুলিৰ সুললিত কণ্ঠত
নাহৰ- কপৌৰ সুগন্ধিৰ সুবাসত
বতৰা আহিল বসন্তৰ আগমন
তাতশালত জিলিকিছে ফুলামকৈ গামোচা
শ্ৰদ্ধা আৰু মৰমৰ প্ৰতীক
চেনাইলৈ বুলি প্ৰেমৰ চানকি
শিপিনীৰ সুকুমাৰ কলাত বিহুটি
ঢোল-পেঁপা -গগণাৰ সুৰত
আকাশে চিকমিকাব আৰু বতাহেও নাচিব
কমোৱা তুলাৰ সংগে সংগে
গাভৰু ব'হাগী নাচিব বিহুগীতৰ তালে তালে
উৰুখা পঁজাৰ শিতানতো
সাতো বিহুৰ সাতো কলিজাই
সুৰীয়া সুৰেৰেই হাঁহি থাকিব
যুগান্তৰে জীয়াই ৰখা অসমীয়াৰ ওঁঠত
একাজলি ৰ'দ কাচলি জিলিকিব
ব'হাগ আমাৰ প্ৰাণৰ
বিহু আমাৰ হেঁপাহৰ
গামোচা আমাৰ স্বভিমান
সংস্কৃতি, পৰম্পৰা আমাৰ ঐতিহ্যৰ বল
সভ্যতাৰ জাতীয় কৃষ্টিত
সমন্বয়ৰে গঢ়িলে বাপতি সাহোন বিহুটি।

# মৃত্যুৰ উপত্যকা পেহেলগাম



**নিতুল নাথ, নেমুগুৰি, শিৱসাগৰ**

জনাহ'লে হয়তো নাহিলোঁহেঁতেন
অচিন সেউজীয়া উপত্যকাৰ মাদকতা বিচাৰি
জনাহ'লে হয়তো পদাৰ্পণ নকৰিলোঁহেঁতেন
মানৱতাহীন নিৰ্জন দ্বীপৰ জীৱন যাত্ৰাৰ সুখৰ নিলাম বজাৰত
সন্ত্ৰাসবাদীৰ সন্ত্ৰাস বন্দুক-বাৰুদ বন্তি
মৃত্যুৰ মলিন নগৰ শোকৰ শীতল চহৰ
নিৰীহ নিযুত সপোনৰ সমাধি
নৰ-নাৰী, শিশু-কিশোৰ হত্যাৰ বীভৎস বিলাস
অচিনা ঠাই বুকুৰ আপোন কলিজাৰ তেজেৰে ছিটিকি পৰিছে
বুকুত সাৱতি সামৰি ৰাখিছোঁ জীৱন ইতিহাসৰ অন্তিম ক্ষণ,
শোকৰ সাঙী বৈ বৈ ভাগৰি পাৰিছে এধানি হিয়া
ধোঁৱা আৰু ধূলিৰ সৰোবৰত ডুব গৈছে
আয়ুস ৰেখাৰ হেঙুলীয়া আকাশ,
সৌৰজগতৰ পৰা খহি পৰিছে
ভবিষ্যৎ জীৱনৰ নক্ষত্ৰমণ্ডল মৃত্যু উপত্যকা পেহেলগামত



যোৰাখণ্ডৰ পৰা..


# অৰুণাচল প্ৰদেশ ভ্ৰমণ যাত্ৰাৰ কাহিনী
# ( The land of rising sun )

বুমলা পাছ যোৰা পাহাৰীয়া পথচোৱাৰ দুয়োকাষে বৰফৰে আৱৰা। যাত্ৰাপথত অনুভৱ হৈছিল যেন বৰফৰ ভূ-স্বৰ্গত প্ৰৱেশ কৰিছোঁ, মন্ত্ৰমুগ্ধ হৈ পৰিছিলোঁ খন্তেক সময়, বাকৰুদ্ধ হৈ প্ৰকৃতিৰ অদ্ভুত সৃষ্টিৰ মাজত নিজকে সপি ব্যাখ্যা কৰিব নোৱাৰা এক দেহমনৰ আত্মিক তৃপ্তি লভিবলৈ সক্ষম হৈছিলোঁ। বুমলা পাছত সেনাবাহিনীৰ তীক্ষ্ণ নিৰীক্ষণ বেষ্টনীৰ মাজেৰে খোজ কঢ়াই আমাক লৈ যোৰা হ'ল ভাৰত-চীনৰ সীমান্তলৈকে তাত দেখিবলৈ পোৱা গ'ল ভাৰত আৰু চীনা সৈন্যৰ সীমান্তত কঠোৰ কটকটীয়া নিৰাপত্তা নিৰীক্ষণ। চীনা সৈন্যসকলক নিচেই ওচৰত দেখা পাই মনটো উভতি গৈছিল ১৯৬২ চনৰ ভাৰত-চীনৰ মাজত হোৱা ভয়াৱহ যুদ্ধক্ষেত্ৰলৈ, তাত ভাৰতীয় সেনাধ্যক্ষ এজনে আমাক ১৯৬২ চনত ভাৰত-চীনৰ মাজত হোৱা যুদ্ধৰ বিৱৰণী সম্পৰ্কে কিছুকথা জানিবলৈ দিয়ে। কেনেকৈ চীনা সৈন্যই ভাৰতবৰ্ষৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিছিল ইত্যাদি। নিৰাপত্তা জনিত কাৰণত মবাইলৰে ফোটো অথবা ভিডিও কৰাৰ ক্ষেত্ৰত তাত বাধা আছে। ফোটো উঠিব লগা হ'লে ভাৰতীয় সেনাবাহিনীয়ে সেনাৰ নিজস্ব কেমেৰাৰে ফোটো উঠোৱাই প্ৰিণ্ট কৰাই দিয়ে তাৰ বাবদ ভাৰতীয় সেনাবাহিনীয়ে একপি ফোটোত ২০০ টকাকৈ বৰঙনি হিচাপে লয়। বুমলা পাছৰ পৰা আহি এইবাৰ আমি পৰিদৰ্শন কৰোঁ চেংগেস্তাৰ লেক যত হিন্দী চলচ্চিত্ৰ কয়লা চিনেমাৰ শ্বুটিং হৈছিল বৰ্তমান সেই লেকখনক মাধুৰী লেক বুলি জনজাত কাৰণ তাত হিন্দী চলচ্চিত্ৰ জগতৰ মোহময়ী অভিনেত্ৰী মাধুৰী দিক্ষীতে অভিনয় কৰিছিল। মাধুৰী লেকৰ অপূৰ্ব সৌন্দৰ্যৰ সংগী হৈ খন্তেকপৰ তাত থাকি এইবাৰ আমি ভাৰত-চীনৰ যুদ্ধত শ্বহীদ হোৱা চুবেদাৰ জগীন্দ্ৰ সিংৰ মেমোৰিয়েল আৰু পট'চো লেক পৰিদৰ্শন কৰি দ্বিতীয় দিনৰ অৰুণাচল ভ্ৰমণৰ কাৰ্যসূচী সমাপ্ত কৰি টাৱাং চহৰত বজাৰ এলেকাত মাঁ কালী অসমীয়া হোটেলত দুপৰীয়াৰ ভাতসাঁজ গ্ৰহণ কৰি টাৱাং চহৰত অৰুণাচল ভ্ৰমণৰ স্মৃতি হিচাপে সহধৰ্মিনীয়ে কিছু সামগ্ৰী ক্ৰয় কৰি হোটেল অভীমুখে খোজ লওঁ কিছুসময়ৰ পাছত হোটেল উপস্থিত হৈ জিৰণি লওঁ। হোটেল কৰ্তৃপক্ষৰ সেৱাসৎকাৰ তথা ব্যৱহাৰ খুবেই ভাল লাগিল। অৰুণাচল প্ৰদেশত বহু জাতিজনজাতিৰ বাসস্থান যদিও মণপা জনজাতিৰ হাৰ অধিক। ১৯ এপ্ৰিল শনিবাৰে অৰুণাচল ভ্ৰমণ কাৰ্যসূচী সমাপ্ত কৰি দিনৰ ১১.০০ বজাত বাছত উঠিলোঁ বাছখন তেংগা, চেলাপাছ, দিৰাং, বোমডিলা, ভালুকপুং, তেজপুৰ, মঙ্গলদৈ হৈ ৰাতিপুৱা গুৱাহাটীত উপস্থিত হয়। লগতে সমাপ্ত হয় পাহাৰপৰ্বতৰ স্মৃতি সমৃদ্ধি আমাৰ অৰুণাচল ভ্ৰমণৰ যাত্ৰা। অৱশেষত এটাকথা নকয় নোৱাৰিলোঁ যদি আপুনি এজন প্ৰকৃত প্ৰকৃতিপ্ৰেমী তেতিয়া অৰুণাচল প্ৰদেশৰ পৰা শিকিবলগীয়া বহু কথা আছে। তেওঁলোকে কিদৰে পাহাৰপৰ্বত সংৰক্ষণ কৰি প্ৰকৃতিৰ উদ্ধাৰ লগতে নিজকে পৰ্যটনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰি তুলিবলৈ সক্ষম হৈছে ঠিক তেনেদৰে অসমৰ মানুহেও যদি প্ৰকৃতি আৰু প্ৰাকৃতিক পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হ'লহেঁতেন অসমখনো প্ৰাকৃতিক দিশত বহুগুণে আগবাঢ়িব পৰা হ'লহেঁতেন কিন্তু পৰিতাপৰ বিষয় আমি অসমত পাহাৰপৰ্বত খনন কাৰ্য্যহে দেখা পাওঁ তাক সংৰক্ষণ আৰু সৃষ্টি কৰাৰ ক্ষেত্ৰত কোনো সচেতন হোৱা দেখিবলৈ নেপাওঁ। লগতে হয়টো আপুনি বহু দেশবিদেশ ভ্ৰমণ কৰিছে কিন্তু এবাৰ আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচল ভ্ৰমণ কৰি চাব মোৰ বিশ্বাস অন্য ঠাইৰ পৰিৱৰ্তে অৰুণাচলত আপুনি এক সুকীয়া মাদকতা লাভ কৰিবলৈ সক্ষম হ'ব।

**শৈলেন কুমাৰ, মিৰ্জা**

যোৰাখণ্ডৰ পৰা..

# ভাৰতীয় সংবিধান ৰচনাৰ পটভূমি




এই ৬ জনীয়া সদস্যৰ দ্বাৰা গঠিত খচৰা কমিটিখনৰ সদস্যসকল আছিল ক্ৰমে - ড° ভীমৰাও আম্বেদকাৰ(সভাপতি), এন গোপালস্বামী আয়েংগাৰ, আল্লাড কৃষ্ণ স্বামী আয়াৰ, কে কে মুন্সি, চৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱ ৰাও আৰু ডি পি খায়তান।

এইখিনিতে ১৯৪৮ চনৰ জানুৱাৰী মাহত সংবিধানৰ খচৰা প্ৰকাশ পায় আৰু ইয়াৰ ওপৰত জনসাধাৰণৰ মতামত ব্যক্ত কৰিবৰ বাবে ৮ মাহ সময় দিয়া হয়। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে খচৰা সংবিধানখনত স্বাক্ষৰ কৰে আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়। তাৰ পিচতেই সংবিধান সভাত ভাৰতৰ সংবিধানখন গৃহীত হয় আৰু ভাৰত পৰিচালনাৰ নথিৰূপে পৰিগণিত হয়।

**ময়ূৰী বৰগোহাঁই,দশম শ্ৰেণী,শিৱসাগৰ**

সংবিধানখন ৰচনা কৰি ইয়াক সম্পূৰ্ণ কৰালৈকে ২ বছৰ ১১ মাহ ১৮ দিন সময় লাগিছিল। ভাৰতীয় সংবিধান প্ৰস্তুত কৰাৰ সময়ত পৃথিৱীৰ কেইবাখনো দেশৰ সংবিধানৰ কিছু বচা বচা আদৰ্শ ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। সেই আদৰ্শ সমূহ হৈছে এনেধৰণৰ -

বৃটিছ সংবিধান-সংসদীয় গণতন্ত্ৰ,
আয়াৰলেণ্ড সংবিধান- ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি,
ফৰাছী সংবিধান - স্বতন্ত্ৰতা, সমতা, ভ্ৰাতৃত্ববোধ,
মাৰ্কিন যুক্তৰাষ্ট্ৰ সংবিধান -মৌলিক অধিকাৰ,
কানাডা, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা -যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা। আৰু সেই হেতুকে ভাৰতীয় সংবিধানখন পৃথিৱীৰ আটাইতকৈ বৃহৎ তথা দীৰ্ঘতম সংবিধান। ভাৰতীয় সংবিধানখনত ৩৯৫ টা অনুচ্ছেদ, ২২ টা অধ্যায় আৰু ১২ টা অনুসূচী আছে।

ভাৰতীয় সংবিধানখনৰ যোগেদি ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ ৰূপে ঘোষণা কৰা হৈছে আৰু ভাৰতীয় নাগৰিকসকলৰ বাবে ন্যায়বিচাৰ, সাম্য আৰু স্বাধীনতা সুনিশ্চিত কৰা হৈছে লগতে জাতীয় সংহতি ৰক্ষাৰ বাবে নাগৰিকসকলৰ পৰস্পৰৰ মাজত ভাতৃত্বভাৱ জাগ্ৰত কৰি তোলাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাইছে।

আমি সংবিধানৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু সংবিধান খন মানি চলাটো আমাৰ সকলোৰে মৌলিক কৰ্তব্য। আমি আমাৰ দেশৰ সংবিধানত বৰ্ণিত আদৰ্শবোৰ মানি চলি একতাৰে আমাৰ দেশ ভাৰতবৰ্ষক প্ৰকৃতাৰ্থত এক সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য হিচাপে গঢ়ি তুলিব পাৰিলেহে ড° ভীমৰাও আম্বেদকাৰ, এন গোপালস্বামী আয়েংগাৰ, আল্লাড কৃষ্ণ স্বামী আয়াৰ, কে কে মুন্সি, চৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱ ৰাও আৰু ডি পি খায়তান আদিৰ দৰে মহান মনিষী যি অহোপুৰুষাৰ্থ শ্ৰম, সেয়া প্ৰকৃতাৰ্থত সাৰ্থক হৈ উঠিব।

# মধুচন্দ্ৰিকা



**শ্ৰী ইলা ভৰালী ডেকা**

পেহেলগামত মধুচন্দ্ৰিকাৰ
মধুৰ ক্ষণত
আজীৱন একেলগে থকাৰ প্ৰতিশ্ৰুতি
মিলন নে বিৰহ ;
তোমাৰ নামৰ মেহেন্দীৰ ৰং নৌ যাওঁতে
আঙুলিৰ মূৰত
দিন গনিব পৰা স্মৃতি
নিমিষতে সকলো শেষ।

# মহান বিজ্ঞানী

পোনপটীয়াকৈ কোনেও পঢ়িব পৰা নাছিল, আইনাৰ সন্মুখত ধৰিলেহে পঢ়িব পৰা গৈছিল।

তেওঁৰ গণিতৰ প্ৰতি থকা ধাউতিৰ বাবেই দিনটো আন কাম কৰাৰ পাচতো গণিতৰ কিতাপ সংগ্ৰহ কৰি অধ্যয়ন কৰিছিল। গণিতৰ প্ৰিয় বিষয় সমূহ আছিল ক্ষেত্ৰ ফলন, সুষম বহুফলক, সুষম বহুভুজ, দ্বি-বক্ৰতাযুক্ত বক্ৰ আৰু কঠিন পিণ্ড (গোলক) ৰ ভাৰকেন্দ্ৰ উলিওৱা আদি। অৰ্থাৎ ভিন্সি আছিল এজন প্ৰায়োগিক গণিতজ্ঞ। ভিন্সিৰ গাণিতিক প্ৰতিভাই সমসাময়িক চিত্ৰকলাৰ ওপৰত প্ৰভাৱ পেলোৱা দেখা যায়। গাণিতিক চিত্ৰ আৰু প্ৰতীকৰ ব্যৱহাৰে চিত্ৰৰ মানদণ্ড আৰু সৌন্দৰ্য বৃদ্ধি কৰে বুলি তেওঁলোকে বিশ্বাস কৰিছিল। আন আন মহৎ সৃষ্টিৰ তুলনাত চিত্ৰকলাই সাধাৰণ মানুহৰ মন সহজে আকৰ্ষণ কৰিব পাৰিছিল। সেয়ে তেওঁ চিত্ৰশিল্পী হিচাপে প্ৰখ্যাত আছিল। এইগৰাকী মহান বিজ্ঞানীৰ ১৫১৯ চনৰ ২ মে' তাৰিখে ফ্ৰান্সত মৃত্যু বৰণ কৰে।

# Diet and lifestyle influence chances of age-related brain disorders

Heramba Nath



The ageing process affects various bodily functions, including cognitive abilities, and recent research has shed light on the impact of diet and lifestyle on brain health. Scientists at the Allen Institute for Brain Science have uncovered molecular changes in the brains of ageing mice, revealing a significant connection between metabolic processes and cognitive decline. Their study highlights how dietary habits and lifestyle choices may influence the risk of age-related brain disorders.

Through advanced research techniques, scientists discovered that genes associated with inflammation become more active in ageing brains, while those linked to neuronal structure and function experience a decline. This imbalance suggests that ageing brain cells lose efficiency in processing external signals, including those related to food and overall metabolic activity. This inefficiency may contribute to cognitive deterioration and an increased vulnerability to neurodegenerative diseases. Since the brain controls various bodily functions, any decline in its efficiency can affect memory, decision-making, and emotional stability, making individuals more susceptible to conditions such as Alzheimer's and Parkinson's disease.

The study pinpointed a crucial region in the hypothalamus where these changes are most pronounced. This brain region plays a vital role in metabolism, energy balance, and bodily homeostasis. Researchers found that cells located near the third ventricle of the hypothalamus, including tanycytes, ependymal cells, and neurons involved in regulating food intake and energy use, undergo significant changes during ageing. The simultaneous decline in neuronal function and the rise in inflammation suggest that this region acts as a hotspot for age-related brain degeneration. These findings indicate that metabolic imbalances due to poor diet and sedentary lifestyles may accelerate brain ageing, leading to earlier onset of cognitive disorders.

One of the key takeaways from this research is the strong link between diet, lifestyle, and cognitive health. Poor dietary habits, particularly those leading to chronic inflammation, may accelerate brain ageing and increase the risk of neurodegenerative disorders. The consumption of processed foods, high levels of sugar, unhealthy fats, and excessive alcohol can trigger inflammatory responses that negatively impact brain cells. Additionally, a lack of physical activity, irregular sleep patterns, and chronic stress further contribute to cognitive decline. Conversely, a nutrient-rich diet that supports metabolic function could help preserve cognitive abilities and delay age-related decline. Foods rich in antioxidants, omega-3 fatty acids, vitamins, and minerals have been shown to reduce inflammation and promote brain health.

The findings emphasize the potential for dietary interventions to support brain health. Reducing inflammatory foods, incorporating essential nutrients, and maintaining an active lifestyle may offer protective benefits against cognitive deterioration. A well-balanced diet consisting of fruits, vegetables, whole grains, lean proteins, and healthy fats can help slow down brain ageing. Furthermore, regular exercise, mental stimulation, and quality sleep play an essential role in maintaining brain function. Future studies could further explore specific dietary components that influence brain ageing at the molecular level and identify targeted strategies for preventing neurodegenerative diseases.

This research reinforces the importance of adopting a holistic approach to health, where dietary choices and physical activity play a crucial role in maintaining cognitive well-being. As scientists continue to investigate the intricate relationship between metabolism and brain function, these insights may lead to more effective strategies for preventing age-related cognitive decline and neurodegenerative conditions. Public awareness regarding the significance of a healthy lifestyle must be emphasized, encouraging individuals to make informed choices that promote long-term brain health.

## পৃথিৱী এতিয়া নৰিয়াত

অলকা বুজৰ বৰুৱা,
টিহু টাউন, নলবাৰী



পৃথিৱীৰ আজি কিছুদিনৰ পৰা অসুখ
চৌদিশে মাথো মৰা শৰ গোন্ধ
জীৱন এতিয়া ভাৰাক্ৰান্ত
অসুখীয়া দেহবোৰ কঢ়িয়াই
বতাহত উমলি ফুৰিছে
অসুখীয়া পৃথিৱীৰ হাহাকাৰ
সৰ্বত্ৰতে বিয়পিছে ত্ৰাসৰ দাবানল
আৰু বা হেঁপাহৰ কেইটা দিন
পৃথিৱীৰ কোলাত !
কাৰণ জীৱনবোৰ এতিয়া মৃত্যুমুখী
কলিজাটি খামুচি হাতৰ মুঠিত
জীৱন আজি মৃত্যুৰ সহযাত্ৰী
আইৰ চকুলৈ চাব নোৱাৰি
বৈ থাকে কেৱল দুখৰ এখন নৈ
বুকুখন হেনো হেচা মাৰি ধৰে
কোনোবা যমদূত নে দেৱদূতে
মৰা শ বোৰৰ কিৰিলি শুনি
জয়াল সময়ৰ হাতোৰাত বন্দী
জীৱনবোৰ ৰৈ আছে মৃত্যুৰ দুৱাৰডলিত
কোন আগত কোন পিছত ক’বতো নোৱাৰি
কোনোৱে কাৰো ওচৰ চাপিব পৰা নাই
কাৰণ পৃথিৱী এতিয়া টান নৰিয়াত।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ৪৭২ সংখ্যক জন্মজয়ন্তী উপলক্ষে বক্তৃতানুষ্ঠান সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসনৰ উদ্যোগত মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ৪৭২ সংখ্যক জন্মজয়ন্তী উপলক্ষে ৩০ তাৰিখে এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। ঔপেনিৱেশিক অসমত মটক মৰাণ সকলৰ ৰাজনৈতিক আৰু আৰ্থ সামাজিক অৱস্থা শীৰ্ষক বক্তৃতা প্ৰদান কৰে বুৰঞ্জীবিদ তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই। বুৰঞ্জীবিদ গৰাকীয়ে ইতিহাসৰ পৃষ্ঠাত লিপিবদ্ধ নোহোৱা বহু ঘটনা আৰু তথ্যসহ বিশ্লেষাত্মক বক্তব্যৰ জৰিয়তে নতুন নতুন তথ্য পোহৰলৈ আনে।ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য ড° শৰৎ বৰকটকীয়ে শুভউদ্বোধন কৰা এই বক্তৃতানুষ্ঠনত আদৰণী ভাষণ প্ৰদান কৰে শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ আসনৰ অধ্যাপক ড° জাহ্নৱী গগৈ নাথে।বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° চন্দন শৰ্মাই আঁতধৰা অনুষ্ঠানটোত শ্ৰী শ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী মুকুণ্ডানন্দ গোস্বামী, শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ আসনৰ প্ৰাক্তন অধ্যাপক তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰিয়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, আসনৰ কাৰ্য্যবাহী সদস্য তৰুণ কুমাৰ গগৈ, যজ্ঞেশ্বৰ চেতিয়া, মটক সন্মিলনৰ প্ৰাক্তন সভাপতি চন্দ্ৰ সেনাপতি, উদয় শংকৰ মহন, যাদৱ গগৈ, বলিন চেতিয়াকে প্ৰমুখ্যে কৰি বহু সংখ্যক গণ্যমান্য ব্যক্তি, অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। ড° চুমি ফুকনে শ্ৰী শ্ৰী অনিৰুদ্ধদেৱৰ দ্বাৰা ৰচিত এটি গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে।

## দিল্লীত বড়োফাৰ প্ৰতিমূৰ্তি উন্মোচন

চুক্তি সম্পন্ন হোৱাৰ পাছত উগ্ৰবাদত বিশ্বাসী সকলোৱে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ ঘূৰি অহাৰ কথা উল্লেখ কৰি তেওঁ কয় যে মোদী চৰকাৰে যি চুক্তি সম্পন্ন কৰে সেয়া কাৰ্যকৰী কৰাত গুৰুত্ব দিয়ে। বড়ো চুক্তিৰ ৯৬ শতাংশ দফা ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু শীঘ্ৰে ইয়াৰ ১০০ শতাংশ কাৰ্যকৰী কৰা হ’ব। মোদী চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত ২০খনতকৈয়ো অধিক শান্তি চুক্তি সম্পন্ন কৰিছে। যাৰ ফলত ১০ হাজাৰতকৈয়ো অধিকে অস্ত্ৰ সম্বৰণ কৰি ঘূৰি আহিছে মূল সুতিলৈ। ইপিনে অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো অসমৰ বাবে এক গৌৰৱপূৰ্ণ দিন বুলি উল্লেখ কৰি কয় যে বড়োসকলৰ স্বকীয় পৰিচয়ৰ বাবে অহোপুৰুষাৰ্থ কৰা বড়ো সমাজৰ পিতৃপুৰুষ হিচাপে খ্যাত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ পৱিত্ৰ স্মৃতিত দিল্লীৰ কৈলাস কলনীত এটা পথৰ নামকৰণৰ লগতে বড়োফাৰ এটা প্ৰতিমূৰ্তি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উন্মোচন কৰাটো ৰাজ্যখনৰ বাবে এক বিৰল সন্মানৰ বিষয়। উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত বড়ো জাতিয়ে নিজৰ অধিকাৰ সুৰক্ষাৰ বাবে এক দীঘলীয়া সংগ্ৰামত লিপ্ত হৈছিল। মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ দ্বাৰা প্ৰেৰিত হৈ বড়োফাই বড়ো জাতিৰ এই আন্দোলনক অহিংসা আৰু ন্যায়ৰ পথেৰে আগুৱাই লৈ গৈছিল। সুদীৰ্ঘ দিন ধৰি অব্যাহত থকা এই আন্দোলনে এনে এক পৰ্যায় পাইছিল গৈ যে কিছুসংখ্যক লোকে অসমৰ বিভাজনকে ধৰি ভাৰতৰ পৰা বিচ্ছিন্ন হৈ স্বাধীন বড়োভূমিৰ কথাও চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল। এই আন্দোলনত ৬ হাজাৰতকৈ অধিক লোকে অস্ত্ৰ হাতত তুলি লোৱাৰ লগতে বড়োভূমিত হত্যা আৰু হিংসাৰ জৰিয়তে এক ব্যাপক হিংসাত্মক আন্দোলন গঢ়ি তুলিছিল। ইয়াৰ ফলত জনসাধাৰণৰ মাজত হতাশাৰ পৰিৱেশ বিৰাজ কৰিছিল। সেই সময়ত এই আন্দোলন ৰোধ কৰাৰ বাবে বিশেষ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শাসনভাৰ গ্ৰহণ কৰাৰ পাছত মোদীৰ নেতৃত্বত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শান্তিৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰচেষ্টাত ২০২০ চনত বড়ো শান্তি চুক্তি স্বাক্ষৰিত হয় আৰু তাৰ পৰিণতিত অসমখন সামগ্ৰিকভাৱে এক শান্তিপূৰ্ণ অঞ্চলত পৰিণত হয়। এসময়ত যি ঠাইত পৃথক বড়োভূমিৰ বাবে আন্দোলন হৈছিল, সেই বড়োভূমিতে ৰাজ্য চৰকাৰে এইবছৰ অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত কৰিছে, যি অসমৰ ঐক্য আৰু সংহতিৰ প্ৰতীক হিচাপে চিহ্নিত হৈছে। বড়ো শান্তি চুক্তি ৰূপায়ণৰ দিশত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে সহযোগিতাৰে লোৱা পদক্ষেপৰ ফলত আজি বড়োভূমিয়ে শান্তি আৰু বিকাশৰ এক নতুন দিগন্তলৈ গতি কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নতুন দিল্লীত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামত এটা পথৰ নামকৰণ আৰু প্ৰতিমূৰ্তি উন্মোচনে দেশৰ জনজাতীয় সমাজখনৰ বাবে এক বিশেষ বাৰ্তা বহন কৰিছে। এই পদক্ষেপে জনজাতীয় সমাজখনলৈ এক নতুন আশা আৰু প্ৰত্যয় কঢ়িয়াই আনিছে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানটো সফলতাৰে আয়োজনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ বাবে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাক ধন্যবাদ জ্ঞাপন কৰে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ জীৱন পৰিক্ৰমা আৰু ৰাষ্ট্ৰ নিৰ্মাণত অৱদান সম্পৰ্কত এখন পুস্তিকা প্ৰকাশ কৰি দিল্লীৰ প্ৰতিটো কোণতে এই পুস্তিকাখন উপলব্ধ কৰোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আগবঢ়োৱা পৰামৰ্শৰকথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শীঘ্ৰে এই কাম হাতত লোৱা হ’ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ নিৰ্দেশমৰ্মে মহাবীৰ লাচিত বৰফুকনৰ জীৱনগাথা ভাৰতবৰ্ষৰ প্ৰতিটো ভাষাতে অনুবাদ কৰি ৰাজ্যসমূহৰ পুথিভঁৰাললৈ প্ৰেৰণ কৰাৰ ফলশ্ৰুতিত দেশৰ বহুকেইখন ৰাজ্যৰ পাঠ্যপুথিত মহাবীৰ লাচিত বৰফুকন সম্পৰ্কত অধ্যায় অন্তৰ্ভুক্ত হৈছে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ পৱিত্ৰ স্মৃতিত আয়োজিত এই অভূতপূৰ্ব অনুষ্ঠানে বড়ো সমাজক আৱেগিক কৰি তোলাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাই ৰাষ্ট্ৰীয় পৰ্যায়ত এনে এক সন্মান লাভ কৰাটো ৰাজ্যবাসীৰ বাবে এক গৌৰৱৰ বিষয়। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম এনে এক সন্মানৰ যোগ্য অধিকাৰী। তেওঁ হৈছে শান্তি, জনজাতীয় সমাজৰ উত্থান আৰু আত্ম-অধিকাৰৰ প্ৰতীক। এই অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী উখাও গৌৰা ব্ৰহ্ম, সাংসদ জয়ন্ত বসুমতাৰী, ৰণগৌৰা নাৰ্জাৰী, বাসুৰী স্বৰাজ, বিধায়িকা শিখা ৰয়, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, দিল্লীৰ মেয়ৰ ৰাজা ইকবাল, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, এবছৰ সভাপতি দ্বীপেন বড়ো, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা আদি উপস্থিত থাকে।

## ভাৰত-পাকিস্তানৰ

বাংলাদেশে চীনৰ সৈতে সামৰিক সহযোগিতা সন্দৰ্ভত আলোচনা কৰা উচিত। অৰ্থাৎ দুয়ো দেশে যৌথ সামৰিক অভিযানেৰে উত্তৰ-পূব দখল কৰিব লাগে। স্মৰ্তব্য যে কিছুদিন পূৰ্বে চীন ভ্ৰমণ সামৰি অহা বাংলাদেশ চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছে উত্তৰ-পূবক ভাৰতৰ পৰা বিচ্ছিন্ন কৰাৰ বাবে বেইজিঙক পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও পৰামৰ্শ আগবঢ়াইছিল। এই লৈ ভাৰতত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখনীয় যে ছাত্ৰ বিদ্ৰোহৰ ফলত প্ৰধানমন্ত্ৰী পদ এৰি শ্বেখ হাছিনাই ভাৰতত আশ্ৰয় লোৱাৰ পিছত বাংলাদেশত মহম্মদ ইউনুছৰ নেতৃত্বত অন্তৰ্বতীকালীন চৰকাৰ গঠন হৈছে। কট্টৰ ইছলামপন্থী সংগঠনৰ বাবে মহম্মদ ইউনুছে ভাৰত বিৰোধী স্থিতি গ্ৰহণ কৰি পাকিস্তানৰ মিত্ৰ হোৱাৰ বাবে আগবাঢ়িছে। বাংলাদেশৰ চিৰশত্ৰু পাকিস্তানৰ সৈতে ইতিমধ্যে ইউনুছে বহু ক্ষেত্ৰত সম্পৰ্ক স্থাপন কৰিছে। চীন আৰু পাকিস্তানৰ সৈতে মধুৰ সম্পৰ্ক থকা ইউনুছৰ ঘনিষ্ঠ এগৰাকীয়ে কৰা মন্তব্যই নিশ্চয়কৈ বিবেচনাৰ বিষয়।

## পঞ্চায়তীৰাজ ব্যৱস্থা

১০, ০০০ টকাকৈ নাপালে, টোলগেটৰ সংখ্যা বঢ়োৱা চৰকাৰখনে অসমৰ বাট-পথৰ অৱস্থা উন্নত নকৰিলে, বিজেপি চৰকাৰে যোৱা ১০ বছৰত অসমৰ জ্বলন্ত সমস্যা যেনে- বানপানীৰ সমস্যা, অবৈধ অনুপ্ৰৱেশকাৰীৰ সমস্যা, ভয়াবহ নিৱনুৱা সমস্যা, আন্তঃৰাজ্যিক সীমা সমস্যা, গৰাখহনীয়াৰ সমস্যা আদি কোনো সমস্যাৰ সমাধা কৰিবলৈ সক্ষম নহ’ল বুলি অভিযোগ উত্থাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অকল ঋণ লৈ চৰকাৰ চলাই অভিলেখ গঢ়িলে বুলি ডাঃ চৌধুৰীয়ে উল্লেখ কৰে।

## নলবাৰীত গৌৰৱ গগৈৰ

মুখ্যমন্ত্ৰীয়ে ছ’চিয়েল মিডিয়াযোগে গৌৰৱ গগৈৰ পৰা তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰিছিল যদিও সাংসদগৰাকীয়ে উত্তৰ দিয়াৰ পৰা বিৰত আছিল। এনেবোৰ কাৰণতে গৌৰৱ গগৈৰ বিৰুদ্ধে ৰাইজ ক্ষুণ্ণ হৈ পৰিছিল। নলবাৰীৰ জনতাই ইতিমধ্যে সাংসদগৰাকীক নলবাৰীত প্ৰৱেশ নিষিদ্ধ কৰিছে। লুকাই-চুৰকৈ পাকিস্তানলৈ যোৱাৰ অভিযোগ উঠা কংগ্ৰেছৰ সাংসদগৰাকীয়ে আজি পৰ্যন্ত বিষয়টো স্পষ্ট নকৰাত স্বাভাৱিকতে ৰাইজে গৌৰৱ গগৈক সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছে।

## ভাৰতৰ আকাশমাৰ্গত

অনুশীলন চলাই আছে। ইয়াৰ সমান্তৰালকৈ পাকিস্তানেও নিজৰ সাগৰীয় সীমাত ৩০ এপ্ৰিলৰ পৰা ২ মে’লৈকে নৌসেনাৰ অনুশীলন আৰম্ভ কৰিছে। প্ৰাৰম্ভিক তথ্য মতে, এই অনুশীলন নিয়মীয়া বুলি প্ৰকাশ কৰা হৈছে যদিও পেহেলগাম নৰসংহাৰৰ পিছত দুই দেশৰ এই অনুশীলনে এখন যুদ্ধৰ ইংগিত দিছে। মন কৰিবলগীয়া যে যোৱা ২৭ এপ্ৰিলত ভাৰতীয় নৌসেনাই যুদ্ধ জাহাজৰ পৰা দীৰ্ঘ দূৰত্বৰ মিছাইলৰ সফল পৰীক্ষণ কৰিছিল। পেহেলগামৰ আক্ৰমণকাৰীৰ বিৰুদ্ধে প্ৰতিশোধৰ লক্ষ্যৰে ইতিমধ্যে নতুন দিল্লীয়ে ৰণনীতি প্ৰস্তুত কৰি তুলিছে। বুধবাৰে কেন্দ্ৰীয় বিমান পৰিবহণ মন্ত্ৰালয়ে ভাৰতৰ আকাশমাৰ্গত পাকিস্তানৰ সামৰিক আৰু অসামৰিক বিমানৰ উৰণ নিষিদ্ধ ঘোষণা কৰিছে। ২৩ মে’লৈ এই নিৰ্দেশনা জাৰি থাকিব।

## আপ প্ৰাৰ্থীৰ হৈ ঘৰে

ৰাইজৰ হকে কাম কৰিবলৈ শক্তি দিয়ে। উল্লেখযোগ্য যে বিগত এসপ্তাহ ধৰি আপ উঃপূঃৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই অসমৰ ভিন্ন স্থানত দলটোৰ পঞ্চায়তৰ প্ৰাৰ্থী সকলৰ হৈ প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰি আহিছে। সমাপ্ত হোৱা প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণৰ জিলা সমূহঃ ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট আৰু শিৱসাগৰতো শৰ্মাক দেখা গৈছিল ৰাইজৰ মাজত।

# হাইকৰ্টৰ বাৰ সন্থাৰ পৰা পদত্যাগ

মহানগৰীৰ ভিতৰত উচ্চন্যায়ালয়ৰ ন্যায়াধীশসকলৰ বাবে চৰকাৰী বাসগৃহৰ বাবেও স্থানৰ অভাৱৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে পদত্যাগ-পত্ৰত উল্লেখ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৯৯৪ চনৰ পৰা ২০০১ চনলৈ উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে ওকালতি কৰাৰ সময়ত সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়েও পদত্যাগ-পত্ৰত উল্লেখ কৰিছে। বিগত ২৫টা বছৰত উচ্চ ন্যায়ালয়ত ওকালতি কৰা অধিবক্তাৰ সংখ্যা কেইবাগুণো বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই পদত্যাগ-পত্ৰখনত কয়- ‘মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ যে আমাৰ উচ্চ ন্যায়ালয়ৰ বৰ্তমান আন্তঃগাঁথনিত বৰ্তমানৰ প্ৰয়োজনীয়তাসমূহ ব্যৰ্থ হৈছে। আগন্তুক সময়ত এই পৰিস্থিতিৰ অধিক অৱনতি ঘটিব। বৰ্তমান সময়ত চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ বাবে কামৰূপ জিলাৰ ভিতৰত ৬টা স্থান প্ৰদান কৰিবলৈ সক্ষম। প্ৰতিটো স্থানতে আছে ১০০ বিঘাতকৈও অধিক ভূমি। এই স্থানসমূহলৈ ১৫-২০ মিনিটৰ পৰা আৰম্ভ কৰি ডেৰ ঘণ্টাৰ ভিতৰত ভ্ৰমণ কৰাটো সম্ভৱপৰ। এতিয়াই আমি ব্যৱস্থা নল’লে কেইটামান বছৰৰ পিছত আমাৰ হাতত এই সুবিধাও নাথাকিব আৰু আমি কামৰূপ জিলাৰ বাহিৰৰ অন্য জিলালৈ স্থানান্তৰিত হ’ব লাগিব। তদুপৰি গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী নতুন দলংখন সম্পূৰ্ণ হ’লে বৰ্তমানৰ উচ্চ ন্যায়ালয় ভৱন আৰু উত্তৰ গুৱাহাটীৰ ৰংমহললৈ ভ্ৰমণৰ সময় মাত্ৰ ১৫-২০ মিনিটলৈকে হ্ৰাস পাব। অসমৰ মহান ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহৰ স্মৃতি বিজড়িত স্থানত নতুন উচ্চ ন্যায়ালয় স্থাপন হ’লে এই অনুষ্ঠানৰ এক নতুন ঐতিহ্য সংযোজিত হ’ব।’ আনহাতে, ৰংমহললৈ স্থানান্তৰ হোৱাৰ পিছত বৰ্তমানৰ উচ্চন্যায়ালয় ভৱনৰ কি হ’ব বুলি একাংশ অধিবক্তাই সুধি অহা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই পদত্যাগ-পত্ৰতে প্ৰদান কৰিছে। তেওঁ আশ্বাস প্ৰদান কৰে যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সৈতে আলোচনা কৰি চৰকাৰে বৰ্তমানৰ উচ্চ ন্যায়ালয় ভৱনক এটা সম্পূৰ্ণ ন্যায়িক সংগ্ৰহাললৈ ৰূপান্তৰ কৰিব। আনহাতে, উত্তৰ গুৱাহাটীৰ ৰংমহললৈ উচ্চ ন্যায়ালয় স্থানান্তৰে ৰাজনৈতিক লাভালাভ প্ৰদান কৰিব বুলি একাংশ অধিবক্তাই প্ৰকাশ কৰা মত সন্দৰ্ভতো মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয়- ‘ৰংমহলক প্ৰস্তাৱিত স্থান হিচাপে বাছনি কৰাৰ সিদ্ধান্ত মোৰ নাছিল। উচ্চ ক্ষমতা সম্পন্ন সমিতিৰ পৰামৰ্শ আৰু গুৱাহাটী উচ্চন্যায়ালয়ৰ সম্পূৰ্ণ আদালতৰ অনুমোদনৰ ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তদুপৰি সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ পিছত ৰংমহল তথা উত্তৰ গুৱাহাটী জালুকবাৰী বিধানসভা সমষ্টিৰ ভিতৰত অন্তৰ্ভুক্ত হোৱা নাই। সেয়েহে উচ্চ ন্যায়ালয় স্থানান্তৰে মোক ৰাজনৈতিক উত্তৰণ প্ৰদান কৰিব বুলি প্ৰকাশ কৰা মতামত সম্পূৰ্ণ ভিত্তিহীন আৰু ন্যস্তস্বাৰ্থ জড়িত। সমান্তৰালভাৱে ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলং প্ৰকল্পই উত্তৰ গুৱাহাটীৰ ৰংমহলক প্ৰাণকেন্দ্ৰ কৰাৰ লগতে পৰৱৰ্তী ৪-৫ বছৰৰ ভিতৰত গুৱাহাটী মহানগৰীক কেন্দ্ৰ কৰি তুলিব।’

# ঘোষণা হ’ল উচ্চতৰ মাধ্যমিক

হৈছে ৮২.১৮ শতাংশ। ইফালে, বিজ্ঞান শাখাত ৫৬, ৯০৯ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হয়। তেওঁলোকৰ ৪৮, ৩০৯গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰে ২৫, ৮২৭ গৰাকীয়ে প্ৰথম, ১৯, ২৮৬গৰাকীয়ে দ্বিতীয় আৰু ৩, ১৯৬গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৮৪.৮৮ শতাংশ। বৃত্তিমূলক শাখাত ১, ২৪১ গৰাকী শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছিল যদিও ১, ২০২গৰাকীয়েহে অবতীৰ্ণ হয়। তেওঁলোকৰ ভিতৰত ৮২৪গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰে ৬০ গৰাকীয়ে প্ৰথম, ৪৬৪ গৰাকীয়ে দ্বিতীয় আৰু ৩০০ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰিছে। বৃত্তিমূলক শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৬৮.৫৫ শতাংশ। চাৰিওটা শাখাতে ছাত্ৰক চেৰ পেলাই ছাত্ৰীয়ে আধিপত্য বিস্তাৰ কৰিছে। পৰিষদৰ তথ্য অনুসৰি কলা শাখাত ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ হৈছে ৭৮.৪২ শতাংশ। ইয়াৰ বিপৰীতে উত্তীৰ্ণ হোৱা ছাত্ৰীৰ হাৰ হৈছে ৮২.৯৫ শতাংশ। সেইদৰে বাণিজ্য শাখাত ৮২.০৮ শতাংশ ছাত্ৰ আৰু ৮২.৪০ শতাংশ ছাত্ৰী উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ ৮৪.৩৯ শতাংশ হোৱাৰ বিপৰীতে এই শাখাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৮৫.৫৪ শতাংশ। বৃত্তিমূলক শাখাত ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ ৬৫.৫৩ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৭৪.৩৯ শতাংশ। অৱশ্যে এইবাৰ বিগত ১০ বছৰৰ ভিতৰত বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ সৰ্বনিম্ন। ইপিনে, কলা শাখাত উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থানত আছে বাক্সা জিলা। বাক্সা জিলাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯৪.২১ শতাংশ। সমান্তৰালভাৱে ৯৩.৮২ শতাংশ উত্তীৰ্ণৰ হাৰেৰে দ্বিতীয় স্থানত আছে দৰং জিলা। তৃতীয় স্থানত থকা শিৱসাগৰ জিলাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯০.৭৮ শতাংশ। কলা শাখাত ৫৮.৯৬ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সৰ্বনিম্ন স্থানত আছে কাছাৰ জিলা। বিজ্ঞান শাখাত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থান দখল কৰিছে পশ্চিম কাৰ্বি আংলং জিলাই। জিলাখনৰ পৰা ৪০জন শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ৪০ জনেই প্ৰথম বিভাগত উত্তীৰ্ণ হ’বলৈ সক্ষম হৈছে। ৯৭.১৩ শতাংশ উত্তীৰ্ণৰ হাৰেৰে দ্বিতীয় স্থানত আছে শিৱসাগৰ জিলা। তৃতীয় স্থানত থকা বাক্সা জিলাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯৫.৬৬ শতাংশ। ৫৬.২৭ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সৰ্বনিম্ন স্থান দখল কৰিছে ডিমা হাছাও জিলাই। বাণিজ্য শাখাত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থান দখল কৰিছে দক্ষিণ শালমাৰা জিলাই। এই জিলাখনৰ ১১জন শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে দুগৰাকীয়ে প্ৰথম তথা ৯গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। বাণিজ্য শাখাত ৯৮.২০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে বাক্সাই দ্বিতীয় স্থান আৰু ৯৮.১৫ শতাংশ উত্তীৰ্ণ হাৰেৰে চিৰাঙে তৃতীয় স্থান দখল কৰিছে। ৪৬.৬০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সৰ্বনিম্ন স্থান দখল কৰিছে ডিমা হাছাও জিলাই। আনহাতে, বিশ্বনাথ, লখিমপুৰ, নলবাৰী আৰু শ্ৰীভূমি জিলাই ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে বৃত্তিমূলক শাখাত শীৰ্ষস্থান দখল কৰিছে। ৯৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শিৱসাগৰ দ্বিতীয় স্থানত আৰু ৯২.৩১ শতাংশৰে বৰপেটা জিলাই তৃতীয় স্থান দখল কৰিছে। বৃত্তিমূলক শাখাত একেবাৰে নিম্ন স্থানত থকা হাইলাকান্দি জিলাৰ উত্তীৰ্ণৰ হাৰ ২৯.২৭ শতাংশ। ইফালে, ২৫৯ গৰাকী শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি জিলিকি উঠিছে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত। ইপিনে, উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত সফলতা লাভ কৰা পৰীক্ষাৰ্থীসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক শুভেচ্ছা বাৰ্তাত তেওঁ কয়- তোমালোকৰ ভৱিষ্যৎ উজ্জ্বল তথা কৃতকাৰ্যতাৰে ভৰি পৰক সেয়া অন্তৰেৰে কামনা কৰিলোঁ। শিক্ষা জীৱনত আৰু বহু দূৰ বাট অতিক্ৰমি একো একোজন সফল নাগৰিক হোৱা সেয়াই মনেৰে বিচাৰিছোঁ। লগতে মনে বিচৰা ধৰণে ফলাফল লাভ কৰিব নোৱাৰাসকলে হতাশ নহৈ কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়েৰে সন্মুখৰ সময়ক মোকাবিলা কৰা। জীৱনত বিভিন্ন সুযোগে অপেক্ষা কৰে। এদিন তোমালোকৰো ভাল হ’ব। সন্মুখৰ দিনবোৰ সকলোৰে ভাল হওক, পোহৰ হওক।

# শ্ৰম পৰিষদ, অসম

কৰা হয়। কাৰ্যসূচীত পতাকা উত্তোলন, ছহিদ বেদী তৰ্পণ আৰু শ্ৰমিকসকলৰ অধিকাৰ সম্পৰ্কীয় সচেতনতামূলক আলোচনা অনুষ্ঠিত হয়। এই অনুষ্ঠানত উপস্থিত থাকি পৰিষদৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ অগপ নেতা নৃপা ফুকনে আৰু শ্বহীদ তৰ্পণ কৰে শ্ৰম পৰিষদৰ সাধাৰণ সম্পাদক লাচিত ৰাজবংশীয়ে। অনুষ্ঠানত উপস্থিত থাকি শ্ৰমিক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে ক্ৰমে পৰিষদৰ, তথ্য আৰু প্ৰচাৰ সম্পাদক বিনোদ ৰাজগড়িয়া, আইনী সম্পাদক ইন্দ্ৰজিৎ ডেকাই। এই বিশেষ দিনটোত শ্ৰমিক সকলৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰে আৰু শ্ৰমিক নেতা অৰ্জুন যাদৱে।

# চকবজাৰত চেল্যুট

প্ৰিয়ংকু নাৰায়ণ বৰুৱা, জিলা অধ্যক্ষ ধ্ৰুৱজ্যোতি বৰ্মন, সাধাৰণ সম্পাদক ৰূপম তালুকদাৰ, লেখক সভাৰ সভাপতি অৰ্জুন সেন ডেকা, কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ দলৈ, উপ সভাপতি দিলীপ কুমাৰ শৰ্মা, উপদেষ্টা উমেশ শৰ্মা, শিক্ষাব্ৰতী দিনেশ কলিতা, সম্পাদক বিজয় বৰুৱা, বিষয়ববীয়া কিশোৰ ডেকা, ৰেণু কুমাৰী পাঠক, মিলিজুলি সাংস্কৃতিক গোষ্ঠীৰ বিষয়ববীয়া শেৱালী কাকতি, ৰিংকু দত্ত, দিপিকা লহকৰ, ক্ষিৰোদা দাস, মহিলা নেত্ৰী মুন্না বৰ্মন, যুৱ সংগঠক পাৰ্থপ্ৰতিম ডেকা সহ বহুসংখ্যক ৰাইজে বন্তি প্ৰজ্বলন, মাল্যাৰ্পন কৰি স্মৰণ কৰাৰ লগতে পাকিস্তান মুৰ্দাবাদ, সন্ত্ৰাসবাদ নিপাত যাওক, পাকিস্তান হায় হায় আদি শ্লোগান দি পাকিস্তানক ধিক্কাৰ দিয়ে। অনুষ্ঠানত চেল্যুট ত্ৰিৰংগাৰ ৰাজ্যিক সাধাৰণ সম্পাদক প্ৰিয়ংকুনাৰায়ণ বৰুৱাই কয় যে সন্ত্ৰাসবাদক কৌশলকৈ প্ৰেৰণা দিয়া পাকিস্তানে নিজক শুধৰণি কৰা দৰকাৰ। তাকে নকৰি সন্ত্ৰাসবাদক উদগণি দি থাকিলে ভাৰত চৰকাৰে প্ৰত্যুত্তৰ দিয়া উচিত বুলি দোহাৰে।

# জাতিভিত্তিক লোকপিয়ল

জাতিভিত্তিক লোকপিয়ল বুলি জনা যায়। অৱশ্যে কংগ্ৰেছ আৰু ইণ্ডিজোঁটৰ কেইবাটাও দলে ৰাজনৈতিক লাভালাভৰ বাবে শেহতীয়াভাৱে জাতিভিত্তিক লোকপিয়লৰ বিষয়টো উত্থাপন কৰি আহিছে। সংবিধানৰ অনুচ্ছেদ ২৪৬ অনুসৰি লোকপিয়লৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকে। অৱশ্যে কিছুমান ৰাজ্যই জৰীপৰ জৰিয়তে জাতি গণনা কৰিছে। কিছুসংখ্যক ৰাজ্যই সঠিকভাৱে এই জৰীপ চলাইছে। কিন্তু একাংশ ৰাজ্যই ৰাজনৈতিক লাভালাভ আৰু স্বচ্ছতা নোহোৱাকৈ চলাইছে। এনেধৰণৰ জৰীপে দ্বিধা আৰু সমাজত মিছা তথ্য প্ৰচাৰ কৰে। সকলো দিশ সামৰি সমাজক অৰ্থনৈতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ নিশ্চিতকৰণৰ বাবেই ৩০ এপ্ৰিল ২০২৫ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন ৰাজনৈতিক পৰিক্ৰমাৰ কেন্দ্ৰীয় কমিটীয়ে পৰৱৰ্তী ৰাষ্ট্ৰীয় লোকপিয়লত জাতি গণনাৰ সিদ্ধান্ত লৈছে। ইপিনে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ পিছতেই বিহাৰৰ মুখ্যমন্ত্ৰী তথা জেডিইউৰ মুৰব্বী নীতিশ কুমাৰে আদৰণি জনাইছে।

# তিনি সেনাৰ মুৰব্বী

কেন্দ্ৰীয় কমিটীৰ বৈঠকো অনুষ্ঠিত হৈছে। সম্ভাব্য মতে, বিৰোধীৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি পেহেলগামৰ আক্ৰমণক লৈ সংসদৰ বিশেষ অধিৱেশন আয়োজন কৰিব। জৰুৰীকালীন অৱস্থাৰ দৰেই প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত দিল্লীত ইখনৰ পিছত সিখন বৈঠক অনুষ্ঠিত হৈ আছে। পেহেলগামৰ আক্ৰমণৰ উত্তেজনা চলি থকাৰ মাজতেই সাত বছৰৰ মূৰকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা পৰিষদ পুনৰ গঠন কৰিছে মোদী চৰকাৰে। মোদী চৰকাৰৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা পৰিষদ পুনৰ গঠনেও পাকিস্তানৰ সৈতে যুদ্ধৰ সম্ভাৱনাক প্ৰকট কৰি তুলিছে। ২০১৮ চনৰ পিছত পুনৰ গঠন কৰা ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা পৰিষদত ৬গৰাকী সদস্যক সামৰিক বাহিনী, আইপিএছ আৰু আইএফএছৰ অভিজ্ঞতাৰে পুষ্ট বিশেষ ব্যক্তিক লোৱা হৈছে। এই উপদেষ্টা পৰিষদৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে ৰ’ৰ প্ৰাক্তন মুৰব্বী আলোক যোশীক। বাকী সদস্যকেইগৰাকীৰ ভিতৰত তিনিগৰাকী প্ৰাক্তন সামৰিক বিষয়া হৈছে- ছাউদাৰ্ন আৰ্মী কমাণ্ডাৰ লেফটেনেন্ট জেনেৰেল এ কে সিং, ৱেষ্টাৰ্ন এয়াৰ কমাণ্ডাৰ এয়াৰ মাৰ্ছাল পি এম সিন্‌হা আৰু ৰিয়াৰ এডমিৰেল মন্টি খান্না। অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়া ৰাজীৱ ৰঞ্জন বাৰ্মা আৰু মনমোহন সিং, অৱসৰপ্ৰাপ্ত আইএফএছ বিষয়া বি ভেংকটেশ বাৰ্মা। উল্লেখ্য যে এই কমিটীখন প্ৰথমবাৰৰ বাবে ১৯৯৮ চনৰ ডিচেম্বৰত গঠন কৰা হৈছিল। কমিটীখনৰ নিৰাপত্তা বিষয়ক তথ্য আৰু প্ৰতিবেদন ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদলৈ প্ৰেৰণ কৰে আৰু এই পৰামৰ্শবোৰ গ্ৰহণ কৰি নীতি প্ৰস্তুত কৰে।

# পাকিস্তানৰ পৰা আমদানিকৃত

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি পাকিস্তানৰ পৰা আমদানি নিষিদ্ধ কৰা হৈছে। প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানৰ পৰা আমদানিকৃত কিম্বা পাকিস্তানলৈ যাবলগীয়া সকলো সামগ্ৰীত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু ৰাজহুৱা নীতি অনুসৰি এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। ভাৰত চৰকাৰৰ সঠিক অনুমতি অবিহনে কোনো সামগ্ৰী পাকিস্তানৰ পৰা আমদানি কৰিব নোৱাৰিব। অকল সেয়াই নহয়, ভাৰতৰ পৰা পাকিস্তানলৈ যাবলগীয়া সামগ্ৰীৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পেহেলগামক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা উত্তেজনাৰ বাবে নতুন দিল্লীয়ে এই কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ যে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ 'মিনি ছুইজাৰলেণ্ড'খ্যাত পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে অতি বৰ্বৰতাৰে ২৬ পৰ্যটকক গুলীয়াই হত্যা কৰিছিল।

# আৰ্দ্ৰভূমি ৰামপুৰৰ দৰাবিলৰ ১৫০

দি আহিছে। এই কাৰ্য ৰোধ কৰিবৰ বাবে একগোট হোৱাৰ গত্যন্তৰ নাই বুলি ঠাকুৰীয়াই উল্লেখ কৰে। এই সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰুণী কুমাৰ দাসে অংশগ্ৰহণ কৰি চৰকাৰে ৰামপুৰৰ জৈৱ-বৈচিত্ৰ্যৰ ভাণ্ডাৰ এই দৰাবিলক বহিৰাগত বণিয়াক গতাব খোজা এই হঠকাৰী কাৰ্যত ক্ষোভ প্ৰকাশ কৰে। এই ঘটনাৰ ৰোধ কৰিবলৈ উচ্চ ন্যায়ালয়ৰ কাষ চাপিব লাগিব বুলি তেওঁ কয়। এই সভাত সংগ্ৰামী কৃষক শ্ৰমিক সংঘৰ সাধাৰণ সম্পাদক দীনেশ দাসে অংশগ্ৰহণ কৰি এই দৰাবিল ৰক্ষা কৰিবলৈ গণ আন্দোলন লাগিবই বুলি উল্লেখ কৰে। চৰকাৰে ৰামপুৰৰ এই দৰাবিলৰ ভূমি ১৫০ বিঘা নহয়, ৪০০ বিঘা ভূমি বহিৰাগত বণিয়াক গতাব বুলি খবৰ পোৱা গৈছে। তেওঁ কয় গোচৰণীয়া পথাৰ গোপালকৰ বাবে আৰু দৰাবিল মৎস্যজীৱী লোকৰ বাবেহে। কোনো কলিকতীয়া বহিৰাগত বণিয়াৰ নহয়। আমাৰ ভৱিষ্যত প্ৰজন্মৰ প্ৰতি লক্ষ্য ৰাখি এই দৰাবিল যিকোনো প্ৰকাৰে হলেও সুৰক্ষা কৰিব লাগিব ।অন্যথা ঘৰতেই অঘৰী হব লাগিব। শেহতীয়াভাৱে ৰাণী উন্নয়ন খণ্ড স্থানান্তৰ নোহোৱাৰ বিষয়ত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু বিধায়ক হেমাংগ ঠাকুৰীয়াই ৰাইজক আশ্বাস দিছিল যদিও তেওঁলোকৰ কথা চৰকাৰে নুশুনিলে বুলি বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু হেমাংগ ঠাকুৰীয়াক কটাক্ষ কৰে। পঞ্চায়ত নিৰ্বাচনত বিজেপিক পৰাভূত কৰিব নোৱাৰিলে এইদৰে আমাৰ সম্পদবোৰ বিজেপিয়ে বিক্ৰী কৰি আমাক দেউলীয়া কৰিব বুলি উল্লেখ কৰে দীনেশ দাসে। সভাত পৰিৱেশকৰ্মী তথা বন্যবন্ধুৰ সম্পাদক প্ৰসন্ন কলিতাই এই দৰাবিলৰ সুৰক্ষাৰ বাবে ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে কয়। তেওঁ কয় জৈৱ-বৈচিত্ৰ্যৰ এই সমাহাৰস্বৰূপ দৰাবিল অঞ্চলটোৰ এটি হৃদপিণ্ড। এই দৰাবিল আমাৰ পৰা কোম্পানীৰ হাতলৈ যোৱা মানেই আমাৰ ৰাইজৰ বিপদ অনিবাৰ্য। আনকি মৎস্যকূল, জীৱকূলৰ প্ৰতি আহিব প্ৰচণ্ড ভাবুকি। এইবিলখন ৰক্ষা কৰিবলৈ আমি ৰাইজ নিশ্চিতভাৱে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিব লাগিব। ইতিমধ্যেই তেওঁলোকে জিলা আয়ুক্তৰ হাতত এই বিলখন বহিৰাগত বণিয়াক গতোৱাৰ আপত্তিত স্মাৰক পত্ৰ প্ৰদান কৰি আহিছে। বিভিন্ন পৰিৱেশকৰ্মী, সচেতনলোক, বুদ্ধিজীৱিৰ লগতো এই বিষয়ত কথা পাতি আহিছে বুলি উল্লেখ কৰে। এই সভাত লগতে কবি, সাহিত্যিক মইনা গোস্বামী, কবি-লেখক সুৰেশ কলিতা, সাংবাদিক-কবি মিলন মহন্ত, সচেতন লোক অমিয় দাস, কুমাৰ সম্প্ৰদায়ৰ হৈ জয়মতী কুমাৰী, নিজামুদ্দিন আহমেড, অৱসৰপ্ৰাপ্ত শিক্ষক কনক দাস, শিক্ষক বিমল কলিতা, অৰিনাশ কলিতা আদি বহুসংখ্যক লোকে ভাষণ প্ৰদান কৰি যিকোনো প্ৰকাৰে এই দৰাবিল চৰকাৰী হাতোৰাৰ পৰা বচাব লাগিবই বুলি কয়। ইয়াৰ বাবে ৰাইজ ঐক্যবদ্ধ হৈ যুজ দিব লাগিব। উল্লেখ যে, প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ এই আৰ্দ্ৰভূমিৰ চৰকাৰী নথিমতে থকা গো-চৰণীয়া পথাৰৰ ১৫০ বিঘা ভূমি এডভান্টেজ আছাম ২.০ৰ যোগেদি বিঘাই প্ৰতি ১ টকা দৰত কলিকতাৰ লজিষ্টিক কোম্পানীক হস্তান্তৰ কৰিব বিচাৰিছে চৰকাৰে। ফলত অঞ্চলটোৰ লোক, দল সংগঠনৰ লোকে ক্ষোভ প্ৰকাশ কৰে। লগতে বিধায়ক হেমাংগ ঠাকুৰীয়াক এই হঠাকাৰী সিদ্ধান্তৰ পৰা আতৰি থাকিবলৈ কয়। আনহাতে বিধায়ক হেমাংগ ঠাকুৰীয়াই সাংগোপাংগোক লগত লৈ নিজা বক্তব্যৰে এই দৰাবিলত লজিষ্টিক পাৰ্ক হলে ৰামপুৰৰ ৰাইজৰ কোনো আপত্তি নাই বুলি কোৱা কথাত সভাই ক্ষোভ প্ৰকাশ কৰে। বিধায়ক হেমাংগ ঠাকুৰীয়াই এই কথাবোৰ ৰাইজৰ মাজত থাকি কব পাৰিবনে বুলি প্ৰশ্ন তোলে কেইবাগৰাকী লোকে। আজিৰ সভাত এই দৰাবিল সুৰক্ষাৰ ক্ষেত্ৰত যিকোনো সভা সমিতি অনুষ্ঠিত কৰাৰ বাবে এঘাৰ জনীয়া সদস্যসহ আৰু প্ৰায় অৰ্ধশতাধিক লোকক সামৰি এখন আহ্বায়ক সমিতিৰ গঠন কৰা হয়। লগতে অহা ১৮ এপ্ৰিলত ৰামপুৰ খেলপথাৰত এই দৰাবিল বণিয়াক গতোৱাৰ বিৰোধীতাত এখনি ৰাজহুৱা সভাৰো আয়োজন কৰিছে আহ্বায়কমণ্ডলীয়ে। এই সভাতে আৰ্দ্ৰভূমি দৰাবিলৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ত বন্যবন্ধুৰ হৈ প্ৰসন্ন কলিতা, দীপাংকৰ ঠাকুৰীয়া, মানৱ মেধি, জ্যোতিকুমাৰ দাস, কল্পজ্যোতি কলিতা, হিতেশ মালী, কিশোৰ নাথ, ভৱেশ দাস, পৰশমণি ৰাভা, আৰু ঋষভ জৈনৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত এখনি গোহাৰি পত্ৰ বিতৰণ কৰা হয়।

# তিৰুৱনন্তপুৰমত ভিঝিনজাম

নেতাসকল। বন্দৰৰ উদ্বোধনৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পিনাৰায়ি বিজয়ন ইণ্ডি জোঁটৰ অন্যতম স্তম্ভ। ইয়াৰ উপৰি শশী থাৰুৰো আছে এই অনুষ্ঠানত। গতিকে এই অনুষ্ঠানে বহুতৰে নিশাৰ নিদ্ৰা কাঢ়িব বুলি উল্লেখ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। স্মৰ্তব্য যে এই অনুষ্ঠানত উপস্থিত হোৱাৰ পূৰ্বে তিৰুৱনন্তপুৰম বিমানবন্দৰত প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায় কংগ্ৰেছ সাংসদ শশী থাৰুৰে। শেহতীয়াকৈ কংগ্ৰেছ সাংসদগৰাকীৰ দলৰ সৈতে দূৰত্ব বৃদ্ধি পোৱা বুলি বিভিন্ন মহলত চৰ্চা চলি আছে। আনকি দলৰ বিভিন্ন কামৰ বিৰোধিতা কৰি আহিছে শশী থাৰুৰে। গতিকে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ কাষতে শশী থাৰুৰ উপস্থিত থকা বিষয়টো কংগ্ৰেছৰ বাবে অস্বস্তিৰ কাৰণ হ'ব পাৰে বুলি বিভিন্ন মহলে ধাৰণা কৰিছে। ইফালে প্ৰধানমন্ত্ৰীৰ ইংগিতবাহী বক্তব্যৰ পিছত বিষয়টোক লৈ চৰ্চা তীব্ৰতৰ হৈছে। লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰীয়ে কেৰালাৰ পিছতে অন্ধ্ৰপ্ৰদেশো ভ্ৰমণ কৰে। অন্ধ্ৰৰ নতুন ৰাজধানী অমৰাৱতীত ৭৪টা আন্তঃগাঁথনি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। অন্ধ্ৰৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু তথা অন্যান্য নেতাসকলৰ উপস্থিতিত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনৰ বিধানসভা, সচিবালয়, উচ্চ ন্যায়ালয়ৰো আধাৰশিলা স্থাপন কৰে। স্মৰ্তব্য যে অমৰাৱতীক অন্ধ্ৰৰ স্থায়ী ৰাজধানী হিচাপে নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰৰ বৃহৎ পুঁজি ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। অমৰাৱতীক ৰাজ্যখনৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰিছিল তেলেগু দেশম পাৰ্টীৰ নেতা চন্দ্ৰবাবু নাইডুৱে। নাইডুক এইক্ষেত্ৰত কেন্দ্ৰৰ মোদী চৰকাৰে ইতিবাচক সঁহাৰি প্ৰদান কৰাৰ পিছতে অমৰাৱতী ৰাজ্যখনৰ স্থায়ী ৰাজধানী হিচাপে নিৰ্মিত হোৱাটো নিশ্চিত হৈ পৰে।

# ১০ ছেপ্তেম্বৰৰ পূৰ্বে

আজিলৈকে নিদিয়াৰ প্ৰসংগতো মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় তেওঁ নিজকে বহুত স্মাৰ্ট বুলি ভাবে। তেওঁ ভাবে উত্তৰ নিদিয়াকৈ থাকিব পাৰিম। কিন্তু ইমান স্মাৰ্ট হৈও লাভনাই। আইনৰ চকুত সকলো সমান। অসমত কংগ্ৰেছ দলৰ অস্তিত্ব নোহোৱা হ'ব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কংগ্ৰেছক অসমৰ মানুহে এৰি দিছে। সংখ্যালঘু মানুহৰ মাজত দলটো জীয়াই আছিল যদিও সেয়াও নোহোৱা হ'ব।

# গোৱাৰ শ্ৰীলাইৰাই দেৱী

দুৰ্ঘটনাটোৰ তথ্য পোৱাৰ লগে লগে আৰক্ষীয়ে সেই স্থানত উপস্থিত হৈ সাহায্যৰ কাম আৰম্ভ কৰে। শনিবাৰে পুৱতি নিশা প্ৰায় ৩ বজাত সংঘটিত হয় এই দুৰ্ঘটনা। আহতসকলক গোৱা মেডিকেল কলেজ এণ্ড হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ৰাজ্যখনৰ স্বাস্থ্যমন্ত্ৰী বিশ্বজিৎ ৰানে প্ৰকাশ কৰা মতে আহতসকলৰ মাজত আঠজনৰ অৱস্থা অতিকৈ গুৰুতৰ। তথ্য মতে শ্ৰীলাইৰাই দেৱী মন্দিৰত বাৰ্ষিক লাইৰাই যাত্ৰা উপলক্ষে গোৱা আৰু মহাৰাষ্ট্ৰৰ অগণন ভক্তই ভিৰ কৰে। ভিৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ইজন ভক্তই সিজনক ঠেলা-ঠেলি কৰাত পদপিষ্ট হৈ সাতজনৰ প্ৰাণহানি হোৱাৰ বিপৰীতে ৮০ৰো অধিক আহত হৈছে। মন্দিৰৰ এই শোকাৱহ দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে এক শোকবাৰ্তাত ভক্তৰ কৰুণ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। এই দুৰ্ঘটনাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে।

# নীতি-নিৰ্দেশনা উলংঘাৰে

বিভিন্ন স্থানৰ বজাৰত মুকলিকৈ মাছ-মাংস বিক্ৰী কৰি আহিছে ব্যৱসায়ীসকলে। গুৱাহাটী মহানগৰীৰ ব্যৱসায়ীসকলে শ্লটাৰ হাউছত কটা ছাগলীৰ মাংসহে বিক্ৰী কৰাটো বাধ্যতামূলক। ইয়াৰ বিপৰীতে মহানগৰীৰ উলুবাৰী, ৰিহাবাৰী, উজান বজাৰ, মালিগাঁও, হাতীগাঁও, বেলতলা, বামুণীমৈদাম, খানাপাৰা, লখৰা, গড়চুক আদিকে ধৰি বিভিন্ন স্থানত ব্যৱসায়ীসকলে নিজে ছাগলী মাৰি বিক্ৰী কৰি আহিছে। জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি জিএমচিয়ে শ্লটাৰ হাউছত কটা মাংস বিক্ৰী কৰাৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু ব্যৱসায়ীসকলে মুনাফা লাভৰ স্বাৰ্থত দৃষ্টিকটুভাৱে ৰাজহুৱা স্থানত ছাগলী মাৰি বিক্ৰী কৰি আহিছে। গুৱাহাটী পৌৰ নিগম আইন ১৯৭১ৰ ২৯৯(iv) ধাৰা অনুসৰি ৰাজহুৱাভাৱে জীৱ-জন্তু বধ কৰাটো নিষিদ্ধ। এনে লোক অথবা ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে পৌৰ নিগম কৰ্তৃপক্ষই। কিন্তু জিএমচিৰ বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতাৰ সুযোগ লৈ ব্যৱসায়ীসকলে বেহা চলাই আহিছে। গুৱাহাটী পথ আৰু পদপথৰ ওপৰত বৈধ ব্যৱসায়িক অনুজ্ঞাপত্ৰ নোহোৱাকৈ ব্যৱসায়ীসকলে বেহা চলাই অহাৰ বাবে পৌৰ নিগমে হেৰুৱাবলগীয়া হৈছে লাখ লাখ টকাৰ ৰাজহ। জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অস্বাস্থ্যকৰ পৰিৱেশত মাছ-মাংস বিক্ৰী কৰি অহা অসাধু ব্যৱসায়ীসকলৰ বিৰুদ্ধে পৌৰ নিগমে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় হ'ব।

# পেহেলগাম সন্ত্ৰাসবাদীৰ

বাবে অংগীকাৰবদ্ধ। ইপিনে পেহেলগামৰ আক্ৰমণকাৰীক কঠোৰ সকীয়নি প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পেহেলগামৰ সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ আৰু দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰা হ'ব। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতৰ এই অংগীকাৰ অথলে নাযায়। বিহাৰৰ ৰাজহুৱা সভাত প্ৰথমবাৰৰ বাবে পাকিস্তানী সন্ত্ৰাসবাদীয়ে অভাৱনীয় পৰিণাম ভুগিব লাগিব বুলি হুংকাৰ দিয়াৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে এংগোলাৰ ৰাষ্ট্ৰপতিৰ সৈতে যৌথ বিবৃতিতো সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ হুংকাৰ দিয়ে। বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, দুয়ো দেশে বিশ্বাস কৰে যে মানৱ জাতিৰ বাবে সন্ত্ৰাসবাদ বৃহত্তম ভাবুকি হৈ উঠিছে। আমি অংগীকাৰবদ্ধ সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰাসকলৰ বিৰুদ্ধে কঠোৰ আৰু দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিম। তেওঁলোকে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত আমাক সহায় কৰাৰ বাবে এংগোলাক আমি ধন্যবাদ দিছোঁ। উল্লেখনীয় যে ভাৰত আৰু এংগোলাৰ মাজত কূটনৈতিক সম্পৰ্ক ৪০ বছৰপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, আমাৰ সম্পৰ্ক উভতি চালে এংগোলাই যেতিয়া স্বাধীনতাৰ বাবে যুঁজি আছিল, ভাৰতে তেওঁলোকৰ আস্থা আৰু বন্ধুত্বৰে তেওঁলোকৰ ওচৰত থিয় দিছিল। আৰু আজি দেশখনৰ সৈতে কূটনৈতিক সম্পৰ্কৰ ৪০ সংখ্যক বাৰ্ষিকী উদযাপিত হৈ আছে।

## ENGLISH NEWS SECTION

# Governor attends 10th Prof. Sarat Mahanta Memorial Lecture



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 10th Prof. Sarat Mahanta Memorial Lecture held at Royal Global University, Guwahati. Paying tribute to the rich legacy of Prof. Sarat Mahanta, the Governor remarked that Prof. Mahanta was an intellectual per whose gamut of works spanned philosophy, history, and social activism. His steadfast dedication to the cause of human rights earned him immense reverence from both peers and students. Governor Shri Acharya lauded the initiative of Prof Sarat Mahanta foundation in commemorating Prof. Mahanta's contributions through this memorial lecture series, noting that it serves as a meaningful tribute to his lasting impact on academic and social sphere. Shri Acharya stated that platform like Dr. Sarat Mahanta Foundation plays a vital role in encouraging innovative and transformative discourse on Northeast India's historical, socio-cultural, economic, and political dimensions. Prof. Mahanta underscored the importance of preserving the roots and taking pride in India's rich civilizational heritage. Noted author Akshat Gupta delivered the keynote lecture at the event. DGP Harmeet Singh, Social worker Riniki Bhuyan Sarma, and other dignitaries were present on the occasion.

# Raj Bhavan Assam celebrates foundation day of Gujarat and Maharashtra




Guwahati, RB News: Raj Bhavan, Assam, under the leadership of Governor Shri Lakshman Prasad Acharya, celebrated the foundation day of Gujarat and Maharashtra at a solemn function held at the Sri Sri Madhavadev International Auditorium. Addressing the assembly on the occasion as Chief Guest, Governor Shri Acharya paid rich tributes to the stalwarts who contributed immensely to the realisation of statehood of the respective states. He at the same time appreciated the rich cultural heritage, historical legacy, and modern-day achievements of both the states. He lauded Gujarat as the land of Mahatma Gandhi and Sardar Vallabhbhai Patel, highlighting its entrepreneurial drive, maritime trade, and role in nation-building. Maharashtra, he said, continues to inspire with its valorous history, cultural richness, and economic significance, and home to luminaries like Chhatrapati Shivaji Maharaj and Dr. B.R. Ambedkar. The Governor emphasized that though Assam is geographically far from Gujarat and Maharashtra, the emotional and cultural bonds unite all states under the spirit of Ek Bharat, Shreshtha Bharat. He noted that national celebrations such as the celebrations of statehood days deepen interstate unity and fosters a shared commitment to India's progress. He further underlined the pivotal role of Gujarat and Maharashtra in driving national campaigns such as Make in India and Startup India, and reaffirmed Assam's own strides under the visionary leadership of Prime Minister Shri Narendra Modi and Chief Minister Dr. Himanta Biswa Sarma.Governor Shri Acharya also said that such occasions would continue to reinforce national unity and inspire collective efforts toward a prosperous and developed India.

# Mansukh Mandaviya inaugurates Khelo India Multipurpose Hall in Arunachal



RB News: Union Minister of Youth Affairs and Sports Mansukh Mandaviya inaugurated the Khelo India Multipurpose Hall in Arunachal Pradesh's Kamle district on Saturday. The hall, built at a cost of 8 crore, will cater to indoor sports including boxing, badminton, karate, taekwondo, weightlifting, volleyball, judo, wushu. It aims to provide infrastructure to promote grassroots-level sports in the region.

# India bans Pakistani ships from ports




RB News: Amid tensions with Pakistan, India's Directorate General of Shipping has banned ships bearing flag of Pakistan from visiting all Indian ports. "An Indian flag ship shall not visit any Ports of Pakistan," it added. "This order is issued to ensure safety of Indian assets, cargo and connected infrastructure, in public interest and for interest of Indian shipping," it added.

# Buttler joins Gayle, de Villiers in remarkable list



RB News: Jos Buttler has broken yet another IPL record to become the fastest to 4,000 IPL runs by balls faced, after Chris Gayle and AB de Villiers. He achieved this feat during his knock against SRH in Ahmedabad. Buttler needed just 12 runs to get to 4,000 runs in the IPL, and he got there off just his seventh delivery.

# 7.4-magnitude earthquake hits Argentina coast



RB News: A 7.4-magnitude earthquake struck Argentina coast on Friday. The tremor hit in Drake Passage, around 222 kilometres south of Ushuaia in southern Argentina, shortly before 1 pm UTC (6.30 pm IST). Minutes after the earthquake, a tsunami warning was issued, with the authorities urging people to evacuate coastal areas and move to higher ground.

# জীৱনৰ লাখুটি চিৰস্থায়ী নহয়



**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

এই সৃষ্টিত যেনেদৰে উত্থানৰ অনিশ্চিয়তা আছে। ঠিক তেনেদৰে তাৰ পতনৰো কোনো সীমা নাথাকে। অৰ্থাৎ যত ভাল থাকে তাৰ লগে লগেই বেয়াবোৰ লগ লাগি আহিবলৈ ধৰে। সেয়েহে নিজৰ ভাল দিশবোৰত অন্যান্য মানুহক অবহেলাৰ পাত্ৰ বুলি গণ্য কৰিব নালাগে। কিয়নো আমি একোৰেই নাজানো আমাৰ পতনৰ সময় সীমাবোৰ কেতিয়া বা কোন দিনৰ পৰা আৰম্ভণি হৈ যাব পাৰে। মানুহ এজনৰ একেবাৰে সহজাত প্ৰবৃত্তি এইটোৱেই যে আপোনাৰ ভাল দিনবোৰত সকলো মানুহে হয়ভৰ দি সমৰ্থন কৰি আহিব। কাৰণ তাতে তেওঁলোকৰ আপোনাৰ লগত স্বাৰ্থ জড়িত হৈ থাকে। আৰু যেনি গম পাবলৈ ধৰে আপোনাৰ বেয়া দিনবোৰ কাষ চাপিব ধৰিছে সেই তেতিয়া আপোনাক আৰু আগৰ দৰে গন্তিত বা পূৰ্বৰ দৰে এক আত্ম মৰ্যদা প্ৰদানৰ পৰা অবজ্ঞা প্ৰদান কৰে। আচলতে আমি সচৰাচৰ লাখুটি বুলি কলে একেবাৰে গাৱলীয়া ভাষাত কাঠেৰে নিৰ্মিত আৰু পৰাপক্ষত একেবাৰে বৃদ্ধ অৱস্থাত গৈ নিজ নিজ শৰীৰৰ ভাৰ সমুহক স্থিতি প্ৰদান বাবে ব্যৱহাৰ হোৱা এদিন আহিলা বা বস্তু এটা বুলি গম পাওঁ। অৰ্থাৎ তাৰ পৰিবৰ্তে আমি অন্যান্য একেবাৰে মজবুত ধৰনৰ ধাতুৰে নিৰ্মিত নানান সংসাধনবোৰো আমাৰ প্ৰয়োগত লৈ আহিব পাৰোঁ। কিন্তু আমি যদি একেবাৰে গভীৰভাৱে চিন্তা কৰোঁ তেন্তে গম পাম যে এই জীৱন ৰূপী লাখুটি কাৰো বাবেই চিৰস্থায়ী হৈ নাথাকে। অৰ্থাৎ মই ব্যৱহাৰত লৈ থকা লাখুটি ডাল হয়তো এটা সময়ত গৈ গৈ হয়তো মোৰ বাবেই এক অৰ্থহীন বা এক পেলনীয়া সমগ্ৰী দৰে হৈ পৰিব পাৰে। এতিয়া কথা হল আমি প্ৰয়োগত লৈ অহা সেই লাখুটি ডালৰ জৰিয়তে যেতিয়া নিজা কাৰ্যবোৰ একেবাৰে সুচাৰুভাৱে সম্পন কৰি লও তাৰ পৰিবৰ্তী পৰ্যায়ত তাক আমি কেনে মৰ্যদা প্ৰদান কৰিবলৈ সমৰ্থ হও সেইটো এক উল্লেখনীয় কথা আহি পৰে। গতিকে কেতিয়াবা হয়তো কোনোবা এজনৰো মুখেৰে আজিলৈকে শুনিবলৈ সক্ষম হৈছে নেকি একেবাৰে অজৰ অমৰ লাখুটি বোৰৰ কথা। কিন্তু আমি এক সাধাৰণ মানুহে হয়তো আনৰ ভাগ্যৰ বলত নিজে কিছুদুৰ আগুৱাই যাবলৈ সক্ষম হলেই আমি মনে মনে হয়তো এইটো ভাবিবলৈ আৰম্ভ কৰি দিওঁ যে মোৰ জীৱন ৰূপী লাখুটি ডালক কোনেও একো এটা ক্ষতি সাধন কৰিব নোৱাৰে। আচলতে এই সংসাৰৰ মোৰ সামান্য জীৱন অভিজ্ঞতাৰ পৰা দৃষ্টিগোচৰ হোৱা কথাটো হল এইটোৱেই যে ইয়াত বেয়া দিনবোৰে বাজনা বজাই বজাই নাহে। বেয়া দিনবোৰ আহিবলৈ ধৰিলে বতাহৰ গতিত আহিবলৈ ধৰে আৰু আমাৰ সকলোবোৰ ভ্ৰম, অহংকাৰ নিমিষতে ধংশ কৰি লৈ যায়। হয়তো ইয়াতে কিছুমান বুদ্ধিজীবি মানুহে মনে মনে ভাবিব পাৰে যে মই পৰাপক্ষত লাখুটিৰ ওপৰত লাখুটি নিৰ্মাণ কৰা কাৰখানা তৈয়াৰ কৰিব। কিন্তু তেওঁলোকে এইটো নাজানে যে সেই নিজৰ দ্বাৰা নিৰ্মাণ কাৰখানা সমুহত তৈয়াৰৰ নিমিত্তে এটা সময়ত গৈ হয়তো উপযুক্ত পৰিমাণৰ সামগ্ৰি পাবলৈকেও হাহাকাৰ লাগি যাব। সেয়েহে একেবাৰে সামান্য হলেও মনতে পুহি ৰাখিব লাগিব ভয়। কাৰণ জীৱনৰ লাখুটি চিৰস্থায়ী নহয়।

# শ্ৰমিক আমি


**অৰ্ণৱ কটকী, যোৰহাট জাঁজী**



আমি যে শ্ৰমিক সকলো
এমুঠি ভাতৰ, নিজৰ পেটৰ
জীৱন জিয়াবলৈ আমি
একো একো জন বনুৱা জীৱনৰ।।
নহয় মানে হেঁপাহ পূৰ
থমকি জানো বহে কোনোবাই
সময়ৰ লগত খোজ মিলাই
দৌৰি ফুৰো সপোনৰ পিছতেই।।
নিজে নিজৰ বনুৱা পেটৰ
এমুঠি অন্ন, বস্ত্ৰ, বাসস্থানৰ
কাৰোবাৰ ভাল কাৰোবাৰ বেয়া
জীৱন জীয়াব সমান অধিকাৰ।।
হাৰি হাৰি জিকি যায় বহু জন
কোনোবা জন হেৰাই কাল চক্ৰত
জীয়াই থকাৰ মাদকতা বহুত
সুখ দুখৰ অলংকাৰ দেহত।।

অণুগল্প

# সন্তুষ্টিৰ হাঁহি



**পৰিস্মিতা বৰা হাজৰিকা,মাজুলী**

তৰাই তাঁতৰ শালত বহি সূতা কেইডাল জোৰা লগাই একেবোৰ কথাকে ভাবি আছে। তাঁতৰ ছিগা সূতা জোৰা লগোৱাদি তাইৰ জীৱনটো আৰু কিমান জোৰা লগাব? সদাই কষ্টৰ মাজেৰেই পাৰ কৰিছে তাই আৰু ছোৱালীজনীয়ে। দেউতাক থাকিও অনাথ হোৱা ছোৱালীজনীক বাৰীৰ শাক -পাচলী, হাঁহ -পাৰ বেছিয়ে পঢ়ুৱাইছিল তৰাই। মাথোঁ এটাই আশা ছোৱালীজনী মানুহ হওক।

দিন বাগৰিল, তৰাৰ ছোৱালীজনী ডাঙৰ হ'ল। তাই এইবাৰ মেট্ৰিক দিছে। মদাহী দেউতাকে নাজানে তাই কেনেকৈ পঢ়িছে? তৰাই কেনেকৈ ঘৰ চলাইছে? মাথোঁ ৰাতি ঘৰত হুলস্থুল কৰিব জানে। আজি ধুনুৰ ৰিজাল্ট দিছে। ওচৰ -চুবুৰীয়াৰ লগতে সাংবাদিকে ঘৰ ভৰি পৰিল। ধুনুৱে ভাল ৰিজাল্ট কৰা বাবে সাংবাদিকে দেউতাকক প্ৰশ্ন কৰাত দেউতাকে একো নকৈ কাষতে ৰৈ থকা ধুনুক সাবটি ধৰিল আৰু নিজৰ ভুল বুজি পাই হুকহুকাই কান্দি উঠিল আৰু ওচৰতে ৰৈ থকা তৰাই বাপেক -জীয়েকৰ আলিংগন দেখি আনন্দত চকুলো টুকিলে।

# চিন্তাশক্তি আৰু কৰ্মশক্তিৰ উওৰণ



**দুলুমণি দেৱী, মাকুম**

এটা সময় আছিল মানুহে প্ৰকৃতিৰ সৈতে সহৱস্থান কৰিছিল । যিটো সময়ত মানুহৰ মাজত জ্ঞানৰ পৰিসৰ তেনেই সীমিত আছিল। আদিমতম অৱস্থাত মানুহে হাবিয়ে জংঘলে বসবাস কৰিছিল তেতিয়া চিন্তাশক্তি আৰু কৰ্মশক্তি দুয়োটা সক্ৰিয় নাছিল। কিয়নো প্ৰকৃতিৰ পৰাই সকলোখিনি সংগ্ৰহ কৰিছিল। খাবৰ কাৰণে গছৰ ফল, পিন্ধিবৰ কাৰণে গছৰ পাত, চাল বাকলি ইত্যাদি। তদুপৰি নদীৰ মাছ, হাবিৰ জীৱজন্তু আদিও চিকাৰ কৰি যিয়ে যেনেকৈ পাৰে খাইছিল। গতিকে কৰ্মশক্তি বিকশিত হোৱা নাছিল। ঠিক তেনেকৈ চিন্তা কৰিবলগা পৰিস্থিতিৰো উদ্ভৱ হোৱা নাছিল। প্ৰকৃতিৰ অনবদ্য অৱদানক লৈয়ে মানুহ সুখী আছিল। সেই অৱদান যিয়ে যেনেকৈ পাইছিল গ্ৰহণ কৰিছিল । এতিয়া কথা হ'ল মানুহৰ মাজত চিন্তা কৰাৰ প্ৰৱণতা কিয় আহিল ? আৰু কেতিয়াৰ পৰা আহিল? প্ৰকৃতিৰ মাজত মানুহে সুখী জীৱনেই কটাইছিল, তথাপি মানুহে কিয় সমাজ পাতি থাকিবলৈ শিকিলে।

মানুহৰ মাজত যেতিয়া জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিলে তেতিয়া মানুহ একগোট হৈ সংগবদ্ধ হবলৈ ল'লে আৰু উন্নতধৰণে জীৱন কটোৱাৰ হাবিয়াস গঢ়ি উঠিল। তদুপৰি গছৰ ফল, হাবিৰ চিকাৰো একেদৰে নাথাকে, মানুহৰ সংখ্যা বৃদ্ধিয়ে খাদ্যৰ নাটনিৰো সমস্যা সৃষ্টি কৰিলে । চকাৰ আৱিস্কাৰে নতুন এক যুগৰ আৰম্ভণি ঘটালে। মানুহে যেতিয়া এঠাইৰ পৰা আন এঠাইলৈ যাব পৰা সুযোগ সুবিধা হ'ল তেতিয়াৰ পৰা কৰ্ম কৰাৰ স্পৃহা বাঢ়িল। লগে লগে শিক্ষা প্ৰসাৰ সাধন হবলৈ ধৰিলে।

চিন্তাশক্তিৰ উওৰণ ঘটে শিক্ষাৰদ্বাৰা । সমাজ পাতি থকাৰ পাছৰেপৰা মানুহে লাহে লাহে উন্নত চিন্তা চৰ্চা কৰিবপৰা হ'ল। সমাজৰ পাছত এখন ৰাষ্ট্ৰৰ কথাও মানুহৰ মনলৈ আহিল। ঠিক তেনেকৈ উন্নত প্ৰযুক্তি কৌশলৰ আৱিস্কাৰ হ'ল যাৰ ফলত ইখন দেশৰ লগত সিখন দেশৰ যোগাযোগ অতি সহজ হৈ পৰিল।

আদিম অৱস্থাৰ পৰা বৰ্তমান সময়লৈকে যুগে যুগে যিমান পৰিবৰ্তন হৈছে এই সকলোখিনি মানুহৰ চিন্তাৰ উৎকৰ্ষ সাধনৰ ফলতহে সম্ভৱপৰ হৈছে। আৰু বৰ্তমান বিশ্বায়নৰ যুগত সমগ্ৰ বিশ্বখনেই এখন গাঁৱত পৰিণত হৈছে। বিশ্বায়নৰ যুগত নতুনত্ব প্ৰতিদিনেই আমাৰ চকুত পৰে। নতুন এক যুগৰ সুচনা হ'ল যেতিয়া কৰ্মশক্তি বৃদ্ধি পালে আৰু চিন্তাশক্তিৰ উওৰণ ঘটিল। সেয়া সম্ভৱ হ'ল আদিমতম সময়ত মানুহৰ মনত যেতিয়া নতুন চিন্তাৰ উদ্ৰেক হ'ল।

যি কি নহওঁক নতুনত্ব সকলোৱে বিচাৰে। আদিম অৱস্থাৰ পৰা ভিন্ন পৰ্যায়ৰ মাজেৰে পৰিবৰ্তন হৈ আহিছে বৰ্তমানলৈকে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286